গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ২৫ ছেপ্টেম্বৰ ২০২৬/৭ আহিন ১৯৪৩ শক ● দাম ৩.০০ টকা ● পঞ্চদশ বছৰ ● সংখ্যা - ২৪ ● Vol - 15, Issue - 24

কাৰিকৰী বিজুতিৰ বাবে কাকতখন ১২ পৃষ্ঠাৰ সলনি ৮ পৃষ্ঠা কৰিব লগীয়া হ'ল। এই সিদ্ধান্ত ল'ব লগীয়া হোৱাৰ বাবে আমি অতিকৈ দুঃখিত।

— সম্পাদক

## হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰথম মৃত্যু বাৰ্ষিকীত শ্ৰদ্ধাঞ্জলি মুখ্যমন্ত্ৰীৰ



**ৰমেন ভৰালী, বংশৰ ঃ** হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে যোৱা ১৯ চেপ্তেম্বৰত সমগ্ৰ অসমে স্মৰণ কৰিছে জুবিন গাৰ্গক। এই উপলক্ষে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰিয় শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলিৰে স্মৰণ কৰে। প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক কাৰ্যালয় 'অটল বিহাৰী বাজপেয়ী ভৱন'ত আয়োজিত এক ৰক্তদান শিবিৰত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজে ৰক্তদান কৰি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। 'ৰক্তদানে জীৱন দান' - এই বাৰ্তাৰে প্ৰিয় শিল্পীগৰাকীক স্মৰণ কৰা এই মহৎ পদক্ষেপৰ শলাগ লয় সৰ্বসাধাৰণে।

## নতুন ভাৰতৰ যুগদ্ৰষ্টা, বিশ্বনেতা, ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ পৱিত্ৰ জন্মদিন উদ্‌যাপন

### 'আশীৰ্বাদৰ বন্তি' শীৰ্ষক কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ



**ৰমেন ভৰালী, বংশৰ ঃ** নতুন ভাৰতৰ যুগদ্ৰষ্টা, বিশ্বনেতা, ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ পৱিত্ৰ জন্মদিন উপলক্ষে যোৱা ১৭ চেপ্তেম্বৰত সমগ্ৰ অসমবাসীৰ হৈ তেখেতলৈ আন্তৰিক শুভকামনা আৰু সশ্ৰদ্ধ ওলগ যাচিছে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বিগত পঁচিছ বছৰ ধৰি গুজৰাটৰ পৰা সমগ্ৰ দেশলৈকে জনসেৱাৰ ব্ৰতত অটল থাকি অন্ত্যোদয়াৰ আদৰ্শ আৰু শক্তিশালী ভাৰত নিৰ্মাণৰ সংকল্পৰে তেখেতে দেশক নতুন আত্মবিশ্বাসেৰে আগুৱাই লৈ গৈছে। ১৪০ কোটি ভাৰতীয়ৰ আশা-আকাংক্ষা বাস্তৱায়নেৰে উন্নয়ন আৰু আত্মনিৰ্ভৰতাৰ এক নতুন অধ্যায়ৰ সূচনা কৰিছে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি বিশেষ স্নেহ আৰু দায়বদ্ধতা আমাৰ বাবে সদায়েই প্ৰেৰণাৰ উৎস। এসময়ত দেশৰ মূলসুঁতিৰ পৰা বহু দূৰত থকা বুলি অনুভৱ কৰা এই অঞ্চলক তেখেতে 'অষ্টলক্ষ্মী'ৰ ৰূপত ভাৰতৰ বিকাশৰ অন্যতম চালিকাশক্তি হিচাপে আগুৱাই নিছে। যোগাযোগ ব্যৱস্থাৰ অভূতপূৰ্ব উন্নয়ন, ঔদ্যোগিক বিপ্লৱ, লাচিত বৰফুকনৰ বীৰত্বক বিশ্বমঞ্চত উজলাই তোলাৰ পৰা চৰাইদেউ মৈদামক ইউনেস্কোৰ বিশ্ব ঐতিহ্যৰ স্বীকৃতি লাভ কৰোৱালৈকে - 'বিকাশ' আৰু 'ঐতিহ্য'ৰ সমন্বয়েৰে অসমৰ গৌৰৱ আৰু স্বাভিমানক তেখেতে বিশ্বৰ সন্মুখত প্ৰতিষ্ঠা কৰিছে। অসমৰ প্ৰতিটো প্ৰত্যাহ্বানৰ সময়ত প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ আন্তৰিকতা, সহযোগিতা আৰু মাৰ্গদৰ্শনে ৰাজ্যখনক ৰাইজৰ সেৱাত অধিক দৃঢ়তাৰে ৫ পৃষ্ঠাত

## শিক্ষা সাংবাদিকতাৰ দিন উদ্‌যাপন

### নিজক ভাল পোৱাৰ অৰ্থই হ'ল লোকৰ হিতৰ হকে ত্যাগ কৰা ঃ পৰেশ বৈশ্য




**গুৱাহাটী ঃ** এতিয়া সমাজৰ পৰা বিশ্বাস, শান্তি আৰু প্ৰেমৰ অৱক্ষয় ঘটিছে। এই ক্ষেত্ৰত পৰেশ বৈশ্য ফাউণ্ডেচন এক আশাৰ ছাতি। তেওঁ আৰু কয় যে শিক্ষকে সমাজক নেতৃত্ব দিয়াত ব্যৰ্থ হৈছে, এতিয়া এই দায়িত্ব ল'ব লাগিব সাংবাদিকে।

১৫ ছেপ্টেম্বৰত গুৱাহাটী প্ৰেছ ক্লাবত শিক্ষা, সাংবাদিকতাৰ উত্তৰণ আৰু সামাজিক পৰিৱৰ্তনৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনে উদ্‌যাপন কৰা ১৯ সংখ্যক শিক্ষা-সাংবাদিকতাৰ দিনত মুখ্য অতিথি হিচাপে ভাষণ দি বিশিষ্ট শিক্ষাবিদ তথা লেখক-সাংবাদিক অক্ষয় কুমাৰ মিশ্ৰই এইদৰে কয়। অনুষ্ঠানত সন্মানিত অতিথি হিচাপে ভাগ লৈ বিশিষ্ট কবি আৰু সুবক্তা ড°নন্দ সিং বৰকলাই সমাজ গঠনৰ বিভিন্ন দিশ আলোকপাত কৰে। তেওঁ নতুন প্ৰজন্মক উদ্দেশ্যি কয় যে মোবাইলে আমাক তথ্য দিব পাৰে, কিন্তু তত্ত্ব দিব নোৱাৰে। তেওঁ সাংবাদিক সকলক কয় যে সাংবাদিকে আপোচ কৰিলে প্ৰগতি অসম্ভৱ। সভাত ভাষণ দি বিশিষ্ট শিক্ষাবিদ ড°দয়ানন্দ পাঠকে কয় যে পৰেশ বৈশ্যই অসমৰ স্কুলীয়া শিক্ষাৰ ক্ষেত্ৰখনত এগৰাকী মাৰ্গদৰ্শক হিচাপে সেৱা আগবঢ়াই আহিছে। অনুষ্ঠানত ভাগ লৈ ৬ পৃষ্ঠাত

## শ্ৰীশ্ৰী লক্ষ্মী নাৰায়ণ মন্দিৰ সানপাড়া পৰ্বতৰ ৰূপালী জয়ন্তী মহোৎসৱৰ লাইখুঁটা স্থাপন হেমন্ত চৌধুৰীৰ



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ বংশৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত সানপাড়া পৰ্বতৰ শ্ৰীশ্ৰী লক্ষ্মী নাৰায়ণ মন্দিৰৰ ৰূপালী জয়ন্তী মহোৎসৱ উদ্‌যাপনৰ বাবে যোৱা ২২ চেপ্তেম্বৰত ৰূপালী জয়ন্তী মহোৎসৱৰ লাইখুঁটা স্থাপন অনুষ্ঠানত উপস্থিত থাকি লাইখুঁটা স্থাপন কৰে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। বংশৰ অঞ্চলৰ সানপাড়া পৰ্বতৰ বৰবাৰী পাহাৰত চৌধুৰী উপস্থিত হোৱাৰ লগে লগে স্থানীয় ৰাইজৰ লগতে আইমাতৃ সকলে নামকীৰ্তনেৰে আদৰণী নিয়ে। শ্ৰীশ্ৰী লক্ষ্মী নাৰায়ণ মন্দিৰৰ ৰূপালী জয়ন্তী মহোৎসৱ উদ্‌যাপনৰ বাবে লাইখুঁটা স্থাপন অনুষ্ঠানত মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি শম্ভু সিংৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত হেমন্ত চৌধুৰীয়ে ভাষণ প্ৰসংগত কয় যে আধ্যাত্মিকতাৰে এই অনুষ্ঠান সমূহে একতাৰ ডোলেৰে সকলোকে বান্ধি ৰাখে এনে অনুষ্ঠানৰ জৰিয়তে গাঁও, অঞ্চলৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে বুলি কয়। অনুষ্ঠানত বংশৰ অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী ভূপেন কলিতা, নলিনী দাস আদি উপস্থিত আছিল।

## পশ্চিম বালিগাঁও প্ৰগতিশীল সাংস্কৃতিক মঞ্চৰ সৌজন্যত আৰু অঞ্চলৰ ৰাইজৰ সহযোগত জুবিন দিৱস পালন

**লক্ষ্যজ্যোতি বৰা ঃ** নগাঁও জিলাৰ ৰহাৰ বালিগাঁৱত পশ্চিম বালিগাঁও প্ৰগতিশীল সাংস্কৃতিক মঞ্চৰ সৌজন্যত আৰু অঞ্চলৰ ৰাইজৰ সহযোগত যোৱা ১৯ ছেপ্তেম্বৰ তাৰিখ শনিবাৰে দিনজোৰা কাৰ্যসূচীৰে সংগীত সূৰ্য্য জুবিন গাৰ্গৰ প্ৰথম মৃত্যু দিৱস পালন কৰা হয়। সেইদিনা পুৱা পশ্চিম বালিগাঁও সাংস্কৃতিক মঞ্চৰ সভাপতি সাধন দাসে গছপুলি ৰোপণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। সন্ধিয়া ৫ বজাত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ ব্যক্তি, সমাজকৰ্মী ভোলা মোহন গোস্বামীয়ে। প্ৰতিচ্ছবিত পুস্পাঞ্জলি অৰ্পণ যুৱ সাহিত্যিক লক্ষ্যজ্যোতি বৰাৰ ৩ পৃষ্ঠাত

# চিকিৎসাৰ অভাৱত মৃত্যুৰ আশংকা আঘাতপ্ৰাপ্ত বন্যহস্তীৰ

## দুদিন ধৰি গাঁৱৰ কাষত লেঙেৰা খোজে ঘূৰি ফুৰিছে মতা হাতী



**মুকুল গোস্বামী, লংকা ঃ** হোজাই জিলাৰ লংকা বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত লামডিং সংৰক্ষিত বনাঞ্চলৰ হাৱাইপুৰ— গোসাইগাঁও সংলগ্ন অঞ্চলত আঘাতপ্ৰাপ্ত এটা মতা বন্যহস্তীক লৈ গভীৰ উদ্বেগৰ সৃষ্টি হৈছে। বিগত কেইবাদিন ধৰি আঘাতপ্ৰাপ্ত হাতীটোৱে গাঁও আৰু জংঘলৰ কাষত লেঙেৰা খোজে ঘূৰি ফুৰিছে যদিও বৰ্তমানলৈকে বন বিভাগৰ তৰফৰ পৰা পশু চিকিৎসাৰ কোনো ব্যৱস্থা কৰা হোৱা নাই বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। স্থানীয় লোকৰ মতে, শুকুৰবাৰে পুৱা প্ৰায় ৫-৬ বজাত গাঁৱৰ ওচৰৰ জংঘলত হাতীটোক প্ৰথমে প্ৰত্যক্ষ কৰা হয়। হাতীটোৰ আগফালৰ সোঁ ভৰিখন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা দেখা যায়। ভৰিখনত জোঙা বা ধাৰাল কোনো বস্তু সোমাই থকা যেনো পৰিলক্ষিত হৈছে। আঘাতৰ বাবে হাতীটোৱে স্বাভাৱিকভাৱে খোজ কাঢ়িব নোৱাৰি লেঙেৰা খোজেৰে অতি কষ্টেৰে চলাচল কৰি আছে। আটাইতকৈ উদ্বেগজনক বিষয়টো হৈছে-হাতীটো আঘাতপ্ৰাপ্ত অৱস্থাত গাঁৱৰ ওচৰতে থকাৰ পিছতো এতিয়ালৈকে পশু চিকিৎসাৰ বাবে কোনো চিকিৎসক বা বিশেষজ্ঞ দল ঘটনাস্থলীত উপস্থিত হোৱা নাই বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। আঘাতটো গুৰুতৰ হোৱাৰ পৰিপ্ৰেক্ষিতত সময়মতে চিকিৎসা নাপালে হাতীটোৰ অৱস্থা অধিক সংকটজনক হৈ পৰি মৃত্যুও হ'ব পাৰে বুলি আশংকা কৰিছে ৰাইজে। স্থানীয় ৰাইজে কয় যে আঘাতপ্ৰাপ্ত বন্যহস্তীটোক কেৱল দূৰৰ পৰা নিৰীক্ষণ কৰিলেই দায়িত্ব শেষ কৰিছে বন বিভাগে। হাতীটোৰ আঘাতৰ প্ৰকৃতি পৰীক্ষা কৰি প্ৰয়োজন অনুসৰি চিকিৎসা, ঔষধ আৰু অন্যান্য ব্যৱস্থা গ্ৰহণ কৰাটো জৰুৰী। বিশেষকৈ ভৰিখনত কোনো জোঙা বা ধাৰাল বস্তু সোমাই থাকিলে সেই আঘাতত সংক্ৰমণ হোৱাৰ সম্ভাৱনাও আছে। সেয়েহে আৰু পলম নকৰি পশু চিকিৎসকৰ বিশেষজ্ঞ দল ঘটনাস্থলীলৈ প্ৰেৰণ কৰাৰ দাবী জনাইছে সচেতন ৰাইজে। উল্লেখ্য যে, হাৱাইপুৰ—লামডিং অঞ্চলত বন্যহস্তীৰ বিচৰণ আৰু ৰে'লপথ পাৰাপাৰক লৈ বিগত সময়ছোৱাত কেইবাটাও উদ্বেগজনক ঘটনা সংঘটিত হৈছে। শেহতীয়াকৈ ১৬ ছেপ্টেম্বৰত ৰে'লৰ খুন্দাত এটা মাইকী বন্যহস্তী নিহত হোৱাৰ ঘটনাই অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছিল। সেই ঘটনাৰ পিছতে পুনৰ এটা আঘাতপ্ৰাপ্ত মতা হাতী জনবসতিৰ কাষত দেখা পোৱাত হাতী কৰিডৰৰ সুৰক্ষা আৰু বন্যপ্ৰাণীৰ জৰুৰী চিকিৎসা ব্যৱস্থাক লৈ প্ৰশ্ন উত্থাপন হৈছে। ইফালে, আঘাতপ্ৰাপ্ত হাতীটোক লৈ স্থানীয় ৰাইজৰ মাজতো আতংক আৰু উদ্বেগ দুয়োটাই সৃষ্টি হৈছে। হাতীটো বিষত অশান্ত হৈ জনবসতিৰ ভিতৰলৈ প্ৰৱেশ কৰিলে মানুহৰ বাবেও বিপদৰ সৃষ্টি হ'ব পাৰে। সেয়ে হাতীটোক উত্তেজিত নকৰিবলৈ, ওচৰলৈ গৈ ভিৰ নকৰিবলৈ আৰু বন বিভাগক পৰিস্থিতি নিবিড়ভাৱে নিৰীক্ষণ কৰিবলৈ আহ্বান জনাইছে সচেতন মহলে। স্থানীয় ৰাইজৰ দাবী-আৰু পলম নকৰাকৈ ঘটনাস্থলীত পশু চিকিৎসকৰ দল উপস্থিত কৰি আঘাতপ্ৰাপ্ত বন্যহস্তীটোৰ চিকিৎসাৰ ব্যৱস্থা কৰা হওক।

# সত্ৰনগৰী মাজুলীত নাৰায়ণপুৰৰ যুৱ কবি অপূৰ্ব জোনাক শইকীয়ালৈ নৱজাগৰণ সাহিত্য আৰু সংস্কৃতি মঞ্চ অসমৰ 'কাব্য-জ্যোতি ২০২৬' বঁটা প্ৰদান ঘোষণা



**চন্দন শৰ্মা, তেজপুৰ ঃ** মাজুলীৰ সাহিত্য জগতৰ এটি অগ্ৰণী অনুষ্ঠান 'নৱজাগৰণ সাহিত্য আৰু সংস্কৃতি মঞ্চ অসম'ৰ ষষ্ঠ বাৰ্ষিক অধিৱেশন মাজুলীৰ বংশী গোপাল নাট্য মন্দিৰ গড়মূৰ সত্ৰৰ প্ৰেক্ষাগৃহৰ অনুষ্ঠিত কৰাৰ পূৰ্ণগতিত উদ্যোগতাই আয়োজন চলাই আছে। এই অনুষ্ঠানত লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰৰ যুৱ কবি অপূৰ্ব জোনাক শইকীয়াক 'কাব্য-জ্যোতি- ২০২৬' প্ৰদানৰ বাবে মনোনীত কৰিছে। প্ৰচাৰ বিমুখ কবি গৰাকীয়ে নিমন্ত্ৰণী পত্ৰ পাই তেওঁৰ সৃষ্টিশীলতাক প্ৰেৰণাৰ আকৰ যুগুৱাৰ লগত তেওঁৰ দায়িত্ব বাঢ়িল বুলি আমাৰ সংবাদদাতাক ব্যক্ত কৰে।

# সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰী শ্ৰী দুৰ্গা পূজা সমিতিৰ মঞ্চত নাট্য পৰম্পৰা

## এইবেলিও তিনিখনকৈ পূৰ্ণাংগ নাটক মঞ্চস্থ কৰাৰ বাবে আখাৰা



**ৰমেন ভৰালী ঃ** অসমৰ সাংস্কৃতিক পৰম্পৰাত শাৰদীয় দুৰ্গা পূজা কেৱল শক্তিৰ আৰাধনা নহয়, ই এক সাংস্কৃতিক মিলনৰ থল। এই কথাষাৰ আটাইতকৈ সুন্দৰকৈ প্ৰতিফলিত হৈছে সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰী শ্ৰী দুৰ্গা পূজা সমিতিৰ মঞ্চত। প্ৰতিষ্ঠা কালৰে পৰা আজিলৈকে বৃহত্তৰ বংশৰ অঞ্চলৰ স্থানীয় সংঘ আৰু পুথিভঁৰালৰ উদ্যোগত তিনি-চাৰি খনকৈ পূৰ্ণাংগ নাট মঞ্চস্থ কৰি অহা পৰম্পৰাই দুৰ্গা পূজাক এক অনন্য মাত্ৰা প্ৰদান কৰি আহিছে। ১৯৯১ চনৰে পৰা স্থানীয় শিল্পী সকলৰ দ্বাৰা নাট মঞ্চস্থ কৰাৰ যি পৰম্পৰা আৰম্ভ হৈছিল, সেয়া আজিও অব্যাহত আছে। প্ৰায় ৩৫ বছৰ ধৰি চলি অহা এই নাট্য যাত্ৰা কেৱল এখন নাটক নহয়, ই বংশৰৰ সাংস্কৃতিক ইতিহাস। ইয়াত কোনো ভাড়াতীয়া শিল্পী নাই, কোনো পেছাদাৰী অভিনেতা নাই। আছে কেৱল আমাৰ গাঁৱৰে ন-পুৰণি শিল্পী, কোনোবা কৃষক, কোনোবা ছাত্ৰ, কোনোবা শিক্ষক, কোনোবা দোকানী, কোনোবা শিপিনী। যিসকলে দিনত নিজৰ কৰ্মত ব্যস্ত থাকি সন্ধিয়া সংঘ আৰু পুথিভঁৰালৰ চোতালত একগোট হৈ নাট মঞ্চস্থ কৰি আহিছে। শ্ৰীশ্ৰী দুৰ্গা পূজাৰ এমাহ-দুমাহ আগৰ পৰাই সন্ধিয়া সংঘ আৰু পুথিভঁৰালৰ পৰিৱেশ সলনি হৈ যায়। তবলা, হাৰমনিয়ামৰ সুৰ, সংলাপ মুখস্থ কৰাৰ ৰৱেৰে ভৰি পৰে। তেতিয়া যেন সংঘ আৰু পুথিভঁৰাল, পুথিভঁৰাল হৈ নাথাকে - ভ্ৰাম্যমাণ নাট্যদল সমূহৰ আখৰা গৃহলৈ পৰিণত হৈ পৰে। ডেকা ল'ৰাই লাইটিং শিকে, ছোৱালীয়ে নৃত্যৰ আখৰা কৰে, বয়োজ্যেষ্ঠ সকলে অভিনয়ৰ খুঁত আঙুলিয়াই দিয়ে। এই আখৰাৰ মাজতে গঢ়ি উঠে প্ৰজন্মৰ মাজত সেতু। ন-শিল্পীয়ে পুৰণি শিল্পীৰ পৰা কেৱল অভিনয় নিশিকে, শিকে অনুশাসন, সময়ানুৱৰ্তিতা আৰু দলীয় চেতনা। এই বেলিও সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰী শ্ৰী দুৰ্গা পূজা সমিতিৰ ৩৬ তম দুৰ্গোৎসৱত সপ্তমী পূজাৰ দিনা অৰ্থাৎ ১৮ অক্টোবৰত হৰিহৰ নাট্য গোষ্ঠী, বংশৰ বে'লৰতলে এইবেলি নাট্যকৰ্মী ফনীধৰ দাস আৰু হলধৰ তালুকদাৰৰ পৰিচালনাত মহেশ কলিতাৰ ৰছনা পূৰ্ণাংগ নাটক 'মহানায়ক' মঞ্চস্থ কৰিব। পাৰিবাৰিক সংঘাত, হাঁহি কান্দোনেৰে আৰু ত্যাগ স্বীকাৰেৰে ভৰপূৰ এখন পূৰ্ণাংগ নাটখনত অভিনয় কৰিছে প্ৰদীপ দাস, জিতেন ভৰালী, উৎপল বৈশ্য, দীপজিৎ ভৰালী (মইনা), দিগন্ত দাস, সমুদ্ৰ দাস (গুদু), শুভাংকুশ তালুকদাৰ, অভীকেশ দাস, জিন্তু দাস, অৱিনাশ দাস, ৰিংকুমণি দাস, বন্দিতা তালুকদাৰ, মূৰ্চনা তালুকদাৰ, বৰ্ণালী দাস, ভনীতা দাস, সুস্মিতা দাস বলিষ্ঠ অভিনয়ৰে পূৰ্ণগতিত আখাৰা চলিছে। মহা অষ্টমীৰ দিনা অৰ্থাৎ ১৯ অক্টোবৰত বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ ন-পুৰণি শিল্পী সকলে নাট্যকাৰ পৰীক্ষিত হালৈৰ ৰচিত আৰু নাট্যকৰ্মী ৰমেশ দাসৰ পৰিচালনাত পূৰ্ণাংগ নাটক পিতা-পুত্ৰ মঞ্চস্থ কৰিব। দুটি পৰিয়ালৰ মাজত সংঘটিত পাৰিবাৰিক জীৱন শৈলীৰে পিতা-পুত্ৰৰ সংঘাতৰ কাহিনীৰে ৰচিত হাঁহি আৰু কান্দোনৰে ভৰপূৰ এখন পূৰ্ণাংগ নাটক পিতা-পুত্ৰ। নাটকখনত মূল চৰিত্ৰত অভিনয় কৰিছে মনেশ্বৰ দাস, ৰাতুল দাস, ৰূপম দাস, মন্টু গোস্বামী, ৰুবুল দাস, শংকৰ দাস, প্ৰাঞ্জল গোস্বামী, ভৃগু দাস, কৰিস্মা দাস, ৰুনমি ভৰালী, জয়াশ্ৰী দাস, দিক্ষীতা দাস, শিশু শিল্পী জোতিস্মিতা দাস আদিয়ে। বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ সভাপতি ৰমেন ভৰালী , সম্পাদক মুকুট ঠাকুৰীয়াৰ ব্যৱস্থাপনাত আখৰা চলি আছে। আনহাতে শ্ৰীকৃষ্ণ নাট্য গোষ্ঠী, আমবাড়ীয়ে নৱমী তিথিৰ দিনা অৰ্থাৎ ২০ অক্টোবৰত অভিজিত ভট্টাচাৰ্যৰ ৰচিত আৰু প্ৰদীপ দাসৰ পৰিচালনাত আৰু অভিজিত ভট্টাচাৰ্যৰ ৰচিত পূৰ্ণাংগ নাটক 'ত্যাজ্য পুত্ৰ'ৰ নাটৰ আখৰা পূৰ্ণগতিত চলি আছে। সময়ৰ চাকনৈয়াত পৰি পিতৃ বাক্য পালন নকৰাৰ বাবে সমাজে সন্মান আৰু সমীহ কৰা এজন দেউতাক আৰু তেখেতৰ আদৰ্শৱান পুত্ৰৰ মাজত সৃষ্টি হোৱা সংঘাত, সেই সময়ত সম্পত্তি লুভীয়া ঘৰৰ আন সদস্যৰ চক্ৰান্ত, বিপদত সহায়ৰ বাবে আগবাঢ়ি অহা বন্ধুৰ ভূমিকাক মুল আধাৰ হিচাপে লৈ বিভিন্ন চৰিত্ৰত অভিনয় কৰিছে ৰঞ্জন দাস, নিতুল দাস, জিতুমণি দাস, তপন দাস, ৰামচৰণ দাস, প্ৰমোদ দাস, নৱজ্যোতি কলিতা, দিপজ্যোতি দাস, উৎপল দাস,দিচামণি দাস, ধনজিতা দাস, ভূপালী দাস, কাশ্যপ পাঠক আৰু ত্ৰিদিপ ঠাকুৰীয়া।

# সমাজলৈ জুবিন গাৰ্গে একো একোটা আদৰ্শ, একো একোটা বাৰ্তা দি গৈছে ঃ ড° মায়াশ্ৰী গোস্বামী



**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ ঃ** 'সমাজলৈ জুবিন গাৰ্গে একো একোটা আদৰ্শ, একো একোটা বাৰ্তা দি গৈছে'....। ভাৰতীয় সাংবাদিক মহাসংঘ চমুকৈ (আই জে এফ)ৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত আৰু 'সমন্বয় সাংস্কৃতিক গোষ্ঠী'ৰ সৌজন্যত তথা শিৱসাগৰ চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ সহযোগত বিদ্যালয় প্ৰাংগণত জুবিনদাৰ মহাপ্ৰয়াণৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষ্যে দিনজোৰা কাৰ্য্যসূচীৰে অনুষ্ঠিত হোৱা ৰাজহুৱা শ্ৰদ্ধাঞ্জলি আৰু 'জুবিন গাৰ্গৰ গীত আৰু বৃহত্তৰ অসমীয়া সমাজ' শীৰ্ষক বক্তৃতানুষ্ঠানত মুখ্য বক্তাৰূপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এনেদৰে কয়, শিৱসাগৰ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মায়াশ্ৰী গোস্বামীয়ে। উল্লেখ্য যে, শিৱসাগৰ জিলা ভাৰতীয় সাংবাদিক মহাসংঘৰ সভাপতি তথা সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ প্ৰধান সম্পাদক অমৃত কুমাৰ শৰ্মাই সঞ্চালনা কৰা বক্তৃতানুষ্ঠানত গোলাঘাটৰ কবি দুলালি খাউণ্ডে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বক্তব্য দাঙি ধৰে। কাৰ্য্যসূচী অনুসৰি পুৱা জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভণি কৰাৰ লগতে সুন্দৰ অনুভৱ ব্যক্ত কৰে আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰা শিৱসাগৰ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত লুকুমণি বড়াই, লগতে সহযোগ কৰে শিৱসাগৰ চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষা তৰুলতা শইকীয়া ভূঞাৱে। তাৰ পিছতেই উপস্থিত ৰাইজৰ লগতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীসকলে সূৰ্য্যকণ্ঠ জুবিন গাৰ্গলৈ অশ্ৰুসিক্ত নয়নেৰে একাজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা উপস্থিত সকলোৱে মায়াবিনী গীত পৰিৱেশনেৰে প্ৰাণৰ শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনায়। উল্লেখযোগ্য যে, জুবিনদাৰ পৱিত্ৰ স্মৃতিত অনুষ্ঠিত সাহিত্য আৰু সাংস্কৃতিক অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষয়িত্ৰী ক্ৰমে লাস্যময়ী হাজৰিকা, নিৰিবিলি কোঁৱৰ, ছাত্ৰ অশোক আদিত্য বৰগোহাঁই আৰু কৌশিক কমল দাসে জুবিনদাৰ গীত পৰিৱেশন কৰাৰ উপৰিও অনুষ্ঠানৰ ঘোষিকা তথা কবি চুমী বৰদলৈয়ে কবিতা আবৃত্তি কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। বিশিষ্ট শিক্ষাবিদ ড° সীমান্ত ভূঞা, শিৱসাগৰ জিলা ভাৰতীয় সাংবাদিক মহাসংঘৰ কাৰ্য্যকৰী সভাপতি দিগন্ত বৰা, সম্পাদিকা অৰ্পণা ভৰালী, সহকাৰী সম্পাদক অনুপম ভৰালী, সাংস্কৃতিক সম্পাদক বিশ্বজিৎ পাঠক, তথ্য আৰু প্ৰচাৰ সম্পাদক কীৰ্তিদীপ্ত ভূঞাৰ লগতে সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ সভাপতি জিতেন কাকতি, মুখ্য সমন্বয়ক পৰী শইকীয়া, সাংস্কৃতিক সম্পাদিকা দেৱজানী ৰাজখোৱা সহ সমূহ বিষয়ববীয়াৰ যৌথ প্ৰচেষ্টাত অনুষ্ঠানভাগিৰ সফল সামৰণি পৰে।

# শিল্পীসত্বাৰ চালিকা শক্তি দৰদী জুবিন গাৰ্গ

■ **যমুনা দুলু বৈশ্য**
শুৱালকুছি

হিয়াৰ আমঠু জুবিন গাৰ্গ
বিশ্ববাসীক মধুৰকণ্ঠৰে
হেজাৰ জনৰ, প্ৰাণৰ শিল্পী তুমি
যুগজয়ী সংগীত খনিকৰ,
হে, সুৰৰ যাদুকৰ,
প্ৰকৃতিৰ প্ৰেমী, মহানায়ক।।

গল্ডি বা জুবিন ১৯৭২ চনৰ ১৮ নৱেম্বৰত মেঘালয়ৰ তুৰাত জন্ম হৈছিল। তেঁৱেই গীতিকাৰ, সুৰকাৰ সংগীত পৰিচালক, চলচিত্ৰ নিৰ্মাতা পৰিচালক, কাহিনীকাৰ সমাজসেৱী, দয়ালু প্ৰকৃতিপ্ৰেমী অসমবাসীৰ বাবে সুসন্তান জুবিনগাৰ্গ। দেউতাকৰ নাম আছিল মোহিনীমোহন বৰঠাকুৰ, ছদ্মনাম কপিল বৰঠাকুৰ। তেওঁ এগৰাকী মেজিষ্ট্ৰেট আছিল। গীত আৰু কবিতা লিখিছিল। লগতে নিজৰ পুত্ৰৰ জুবিনৰ নামত গ্ৰন্থ এখন প্ৰকাশ কৰিছিল। মাকৰ নাম আছিল ইলি বৰঠাকুৰ। এগৰাকী গায়িকা আছিল। ভনী দুজনী জংকি আৰু ড° পামী বৰঠাকুৰ। ৪/২/২০০২ বিবাহ হয় । জুবিনৰ পত্নী গৰিমা শইকীয়া এগৰাকী ফেশ্বন ডিজাইনৰ। জুবিনক লোক-সংস্কৃতিৰ বাবে ৰবীন বেনাৰ্জীৰ ওচৰত তবলা আৰু গানৰ শিক্ষা দিছিল। দেউতাকে বয়স অনুপাতে বহু ধৰণৰ কিতাপ কিনি দিছিল। জুবিনে বি বৰুৱা কলেজৰ বিজ্ঞান শাখাত পঢ়িছিল। কলেজৰ শিক্ষা আধৰুৱা কৰি সংগীতৰ লগতে ওতঃপ্ৰোতভাৱে জড়িত হয়। প্ৰথম 'অনামিকা' অসমীয়া গীতৰ এলবাম মুকলি কৰি জনপ্ৰিয়তা বৃদ্ধি কৰে। তথ্যমতে ৪০টা ভাষাত সৰ্বমুঠ বিশ হাজাৰৰো অধিক গীত পৰিৱেশন কৰে।

২০০৭ চনত ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৱা অসমীয়া ছবি 'দীনবন্ধু'ৰ তেওঁ সহ পৰিচালক আছিল। জুবিনে পৰিচালনা কৰা অভিনয় কৰা বহুতো চিনেমা আছে।

২০২৫ চনটো অসমৰ বাবে অপূৰণীয় ক্ষতি হৈ ৰ'ল। মানৱদৰদী প্ৰাণৰ শিল্পীৰ গৰাকীৰ গীত বিহু মঞ্চত দেখিবলৈ নেপাম। ১৯ চেপ্তেম্বৰ ২০২৫ চনত সকলোকে কন্দোৱাই অসমৰ ইমূৰৰ পৰা সিমূৰলৈ অগণন জনগণৰ মাজত জাতিৰ সত্বা নাই বুলি জনতাৰ চকুত চকুলোৰে বোৱাই গুচি গ'লগৈ উভতি নহা বাটে। এটি উজ্বল নক্ষত্ৰ হেৰাই গ'ল, সুৰ এটি নোহোৱা হ'ল নিষ্ঠুৰ বতাহে কঢ়িয়াই আনিলে দুখৰ বাতৰি। জুবিনে কি নাজানিছিল তবলা, কীবোৰ্ড, হাৰমোনিয়াম, গীটাৰ, ঢোল, দোতৰা ম্যাণ্ডোলিন আদি অনেক বাদ্যযন্ত্ৰ বজাব পাৰিছিল।

অসমৰ সংস্কৃতিৰ পথাৰখনলৈ এক বৈপ্লৱিক পৰিবৰ্তন আনিলে। তেওঁৰ ঐশ্বৰিক সংগীত প্ৰতিভাই কেৱল অসমৰ সংগীত জগতেই নহয় সমগ্ৰ ভাৰততে এক আলোড়নৰ সৃষ্টি কৰিলে। সুৰৰ যাদুৰ শক্তিৰ যি লহৰ তুলি নতুন প্ৰজন্মৰ হৃদয় উকা কৰি শূন্য কৰি গুচি গ'ল। মানুহৰ প্ৰতি যি উদাৰতা, নিঃস্বাৰ্থ সহায়, দান মানৱ দৰদী মনটোক প্ৰাণ ভৰি ভালপায় আজিও তেওঁৰ শুভকাংক্ষীয়ে। জুবিন গাৰ্গে বিশ্বাস কৰিছিল মানৱতাই শ্ৰেষ্ঠ ধৰ্ম। তেওঁৰ চিন্তাধাৰা আছিল আকাশ, সাগৰৰ দৰে সুবিশাল। মানৱ দৰদী জুবিনে আৰ্তজনক সহায় কৰাৰ লগতে অসুখত ভুগি থকা লোকক কিমান জনক যে সহায় কৰিছিল। দৰিদ্ৰ, নিঠৰুৱা উপায়হীন জনক টকা-পইচাৰে মুক্ত মনেৰে দান কৰিছিল। নিজৰ যোগ্যতাৰে অনাথ শিশুক মৰম স্নেহ আশ্বাসেৰে জীৱনৰ বাট সুগম হোৱাত সহায় কৰিছিল। জুবিনে প্ৰকৃতিৰ হাবি-গছ-গছনি নদ-নদী, বনৰীয়া ঘৰচীয়া জন্তু, বৰ ভাল পাইছিল। সৰুকালৰে পৰাই বনৰীয়া জন্তু, ঘৰচীয়া কৰাৰ বা আদৰ কৰাৰ প্ৰৱল হেঁপাহ আছিল। দেউতাকৰ চাকৰিৰ বাবে সৰুৰে পৰা তুৰা, তামূলপুৰ, কৰিমগঞ্জ, যোৰহাট অসমৰ বিভিন্ন ঠাইৰ প্ৰাকৃতিক পৰিৱেশৰ লগত খাপ খাই যাব পাৰিছিল। তেওঁক ভালপোৱা মানুহৰ সমান্তৰালভাৱে বিভিন্ন সময়ত সমালোচনা কৰা এচাম মানুহৰো কিন্তু অভাৱ নাছিল। জুবিনে কৈছিল - গছৰ লগত থাকিলে মানুহ বহুত দিনলৈ জীয়াই থাকিব পাৰে। গছ কটাৰ বিৰোধিতা আছিল। গছ নাথাকিলে ঠাই ডোখৰৰ পুনৰ সৌন্দৰ্য ঘূৰাই পামনে? নাহৰ গছ ৰোপণ কৰি বৰ ভাল পাইছিল। কঠোৰ পৰিশ্ৰম, দায়বদ্ধতা, সাহস আৰু ত্যাগৰ এই গুণ আমাৰ শিল্পী গৰাকীৰ পৰাও আমি আদৰ্শ লোৱা উচিত।

বিনম্ৰতা মানুহৰ মহৎ গুণ। জুবিন গাৰ্গৰ সৰলতাই হৈছে তেওঁৰ শক্তিৰ মূল। টকা-পইচাতকৈ কৰ্ম আৰু সৃষ্টিৰ মাজেৰে সদায় মানুহৰ মাজত জীয়াই থাকিব বিচাৰিছিল, সকলোৰে প্ৰাণৰ শিল্পীজনে জাতি, মাটিক ভালপোৱা সৃষ্টিৰাজিৰে লাখ লাখ হৃদয়ত তোলপাৰ লগাব পৰা জুবিনগাৰ্গৰ মানৱীয় প্ৰমূল্যবোধ অনন্য। জাতিৰ প্ৰতি, ভাষাৰ প্ৰতি, নামি অহা উদ্বিগ্ন জুবিন গাৰ্গে কিতাপ নপঢ়া জাতিক গামোচাই জীয়াই নাৰাখে বুলি কৰা মন্তব্য তাৎপৰ্যপূৰ্ণ। এখন অচিন বিদেশী ঠাই ছিংগাপুৰত কি পৰিস্থিতিত ৰহস্যজনকভাৱে প্ৰাণৰ শিল্পীগৰাকীয়ে মৃত্যুক আকোঁৱালি ল'লে সকলোৰে মনত আলোড়নৰ সৃষ্টি কৰিলে। শেষ শ্ৰদ্ধাৰে 'মায়াবিনী ৰাতিৰ বুকুত 'শিল্পীগৰাকীৰ প্ৰিয়গীতটিৰে বিশ্বৰ প্ৰান্তে, প্ৰান্তে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। হিয়াৰ আমঠু সমাধিস্থান সোণাপুৰ-জুবিন ক্ষেত্ৰ এতিয়া তীৰ্থস্থলী। যুৱ-প্ৰজন্মই তেওঁৰ আদৰ্শৰে এক নতুন বাটৰ সূচনা হয় ঈশ্বৰৰ পুত্ৰৰ স্থান ই এক পূৰ্ণভূমি, ই এক মন্দিৰ হওঁক, আশীষ বিচাৰিছো প্ৰাপ্য ন্যায়ৰ। অমৰ হওক আমাৰ হিয়াৰ আমঠু জুবিন গাৰ্গ।

কবিতাৰ ভাষাৰে -
হে দৰদী শিল্পী
তোমাৰ সৃষ্টিৰাজি
অপূৰ্ব গীতবোৰ
মধুৰ উদাত্ত কণ্ঠৰে গোৱা
আকাশৰ ভোটা তৰাটিৰে
উজ্বলি ৰ'ব
অসমীয়া জাতিৰ পৰিচয়ৰে
প্ৰাণৰ স্পন্দন হৈ
হৃদয়ে, হৃদয়ে-
সজীৱ হৈ জীয়াই থাকিব
মৃত্যুক জিনি অমৰত্বৰে
চিৰদিন, চিৰকাল
সশ্ৰদ্ধাৰে যাচিলোঁ সহস্ৰ প্ৰণাম।

# শিঙিমাৰীত সুৰাৰ বিপণীৰ বিৰুদ্ধে ক্ষুব্ধ জনতা

## অতিশীঘ্ৰে বন্ধ নকৰিলে জংগী আন্দোলনৰ হুংকাৰ




**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ দদৰা আৰক্ষী চকীৰ অন্তৰ্গত শিঙিমাৰী চ'কত গঢ়ি উঠা বৈধ আৰু অবৈধ সুৰাৰ ৰমৰমীয়া বেহাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত এতিয়া তীব্ৰ ক্ষোভ আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দীৰ্ঘদিন ধৰি অঞ্চলটোত চলি থকা অবৈধ সুৰাৰ ব্যৱসায়ৰ বাবে স্থানীয় ৰাইজ অতিষ্ঠ হৈ থকাৰ মাজতে, এতিয়া পুনৰ নতুনকৈ এখন চৰকাৰী অনুজ্ঞাপত্ৰ প্ৰাপ্ত সুৰাৰ বিপণী স্থাপন কৰা কাৰ্যই অঞ্চলটোৰ সচেতন ৰাইজৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। স্থানীয় সচেতন নাগৰিক আৰু মহিলা সমাজে নৱপ্ৰজন্ম তথা শিক্ষাৰ্থী সকলৰ ভৱিষ্যতক লৈ গভীৰভাৱে চিন্তিত হৈ পৰিছে। ৰাইজৰ অভিযোগ- দীৰ্ঘদিনৰ পৰা অবৈধ সুৰাৰ বিপণীৰ জৰিয়তে অঞ্চলটোৰ শৈক্ষিক আৰু সামাজিক পৰিৱেশ বিনষ্ট কৰি আহিছিল। এতিয়া পুনৰ নতুনকৈ সুৰা বিপণী এখন খুলি অঞ্চলতটোৰ শৈক্ষিক সামাজিক পৰিৱেশ বিনষ্ট কৰাৰ এক ভয়ংকৰ ষড়যন্ত্ৰ ৰচনা কৰা হৈছে বুলি স্থানীয় সচেতন দল সংগঠন তথা ৰাইজে অভিযোগ কৰিছে। চৰকাৰী নিয়ম অনুসৰি শৈক্ষিক প্ৰতিষ্ঠানৰ নিৰ্দিষ্ট দূৰত্বৰ ভিতৰত সুৰাৰ বিপণী স্থাপন কৰাটো সম্পূৰ্ণ আইন বিৰুদ্ধ। কিন্তু সকলো নিয়ম-নীতিক বুঢ়া আঙুলি দেখুৱাই, স্থানীয় বিদ্যালয় আৰু মহাবিদ্যালয়ৰ পৰা মাত্ৰ ১০০ মিটাৰ দূৰত্বত এই সুৰাৰ বিপণী গঢ়ি তোলা হৈছে। উল্লেখ্য, শিঙিমাৰী চ'কত বছৰ বছৰ ধৰি অবৈধ বিলাতী সুৰা মুকলিকৈ বিক্ৰী হৈ অহাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈ আহিছে। এনে অৱস্থাত আবকাৰী বিভাগে নতুনকৈ সুৰাৰ বিপণীৰ অনুমতি দিয়া কাৰ্যই স্থানীয় ৰাইজৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। শিঙিমাৰী অঞ্চলত বৈধ অবৈধ সকলো ধৰণৰ সুৰা বিপণী বন্ধ কৰিবলৈ স্থানীয় সচেতন ৰাইজ, মহিলা সমাজ ৰাজপথলৈ ওলাই আহি শিঙিমাৰী চ'কত তীব্ৰ প্ৰতিবাদৰ সাব্যস্ত কৰে। ৰাইজে কামৰূপ প্ৰশাসন, আবকাৰী বিভাগক স্মাৰকপত্ৰ প্ৰদান কৰিছিল যদিও কোনো গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ স্থানীয় ৰাইজৰ। ৰাইজৰ স্পষ্ট দাবী- কোনো কাৰণতে শিঙিমাৰী চ'কত কোনো ধৰণৰ বৈধ বা অবৈধ সুৰাৰ বিপণী চলিবলৈ দিয়া নহ'ব। যুৱ প্ৰজন্মক ধ্বংসৰ মুখলৈ ঠেলি দিয়া এই সুৰাৰ ঘাটিসমূহ যদি প্ৰশাসনে অতিশীঘ্ৰে বন্ধ কৰাৰ ব্যৱস্থা গ্ৰহণ নকৰে, তেন্তে আগন্তুক দিনত ইয়াতকৈও জংগী আন্দোলন গঢ়ি তোলা হ'ব বুলি ক্ষুব্ধ ৰাইজে হুংকাৰ প্ৰদান কৰিছে। স্থানীয় ৰাইজে এই ক্ষেত্ৰত জিলা প্ৰশাসন তথা আবকাৰী বিভাগৰ ব্যৱস্থা ল'বলৈ দাবী জনাইছে।

*প্ৰথম পৃষ্ঠাৰ পৰা*

# পশ্চিম বালিগাঁও প্ৰগতিশীল সাংস্কৃতিক মঞ্চৰ সৌজন্যত আৰু অঞ্চলৰ ৰাইজৰ




লগতে উপস্থিত সকলোৱে কৰে। উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত সকলোৱে ভাগ লয় আৰু সমূহীয়াকৈ জুবিনৰ মায়াবিনি গীতেৰে প্ৰাণৰ শিল্পীগৰাকীক শ্ৰদ্ধা জ্ঞাপন কৰে। ৬ বজাত অনুষ্ঠানৰ বিশেষ কাৰ্যসূচী স্মৃতিচাৰণ অনুষ্ঠান অনুষ্ঠিত হয়। বিশিষ্ট সমাজকৰ্মী, পৰিচালক সাধন দাসৰ তত্বাৱধানত আৰু সাংস্কৃতিক কৰ্মী মৃদুল দাসৰ পৰিচালনাত অনুষ্ঠিত স্মৃতিচাৰণ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি গীত, কথা আৰু বক্তব্যৰে অনুষ্ঠানত অংশগ্ৰহণ কৰে সমাজকৰ্মী পোৱাল দাস, ভোলা মোহন গোস্বামী, শিক্ষাবিদ ভক্তি মজুমদাৰ, দিপ্তী মজুমদাৰ, দিলীপ হাজৰিকা, সাংস্কৃতিক কৰ্মী জিতেন দাস, কবি মণ্টুমণি বৰা, লক্ষ্যজ্যোতি বৰা, শিক্ষয়িত্ৰী তথা স্থানীয় কণ্ঠশিল্পী শিখা দাস আৰু ৰণ্টু বৰঠাকুৰে। লগতে উক্ত অনুষ্ঠানত শিল্পীগৰাকীৰ বিভিন্ন সৃষ্টিৰাজিৰে তেওঁক সোঁৱৰণ কৰা হয়। ইয়াৰ পিছতে উক্ত মঞ্চতে বিভিন্ন সংগীত আৰু নৃত্য অনুষ্ঠানৰ লগতে দিহানামৰ পৰ্ব অনুষ্ঠিত হয়। অনুষ্ঠানত উপস্থিত সকলোৱে পশ্চিম বালিগাঁও প্ৰগতিশীল সাংস্কৃতিক মঞ্চৰ উদ্যোক্তাক শলাগ লয় আৰু ভৱিষ্যতে জুবিন দিৱস বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ আশ্বাস প্ৰদান কৰে। অনুষ্ঠানৰ সফল ৰূপায়ণ হোৱা বাবে পশ্চিম বালিগাঁও প্ৰগতিশীল সাংস্কৃতিক মঞ্চৰ সভাপতি সাধন দাস আৰু সম্পাদক মৃদুল দাসে সকলোলৈকে কৃতজ্ঞতা প্ৰকাশ কৰে।

# জাৰ্ণেলিষ্ট এছ'চিয়েছন ফ'ৰ আসামৰ কলিয়াবৰ জিলা সমিতি গঠন

**জয়ন্ত বৰা, কলিয়াবৰ ঃ** জাৰ্ণেলিষ্ট এছ'চিয়েছনৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি অভিদ্বীপ চৌধুৰীৰ সভাপতিত্বত কলিয়াবৰত অনুষ্ঠিত জাফাৰ সভাত বিশিষ্ট অতিথিৰ ভাষণত জ্যেষ্ঠ সাংবাদিক প্ৰকাশ মহন্তই কয়- কলিয়াবৰৰ সুসন্তান সংবাদজগতৰ পিতামহ তিলক হাজৰিকা আৰু যতীন্দ্ৰ কুমাৰ বৰগোহাঞিঃ ছাৰৰ ছত্ৰছায়াতে আমি সাংবাদিকতাৰ পাঠ শিকিছিলো। তেওঁলোক দুজনৰ ব্যক্তিত্বই বাৰুকৈয়ে মুগ্ধ কৰিছিল। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সমাজকৰ্মী মনিমাধৱ মহন্তই কয়- 'পৰিৱেশ, প্ৰকৃতি, ৰাজনীতি, সমাজনীতি সকলোতে সাংবাদিকতাই প্ৰভাৱ বিস্তাৰ কৰা উচিত। ৰজাঘৰৰ নহয়, প্ৰজাঘৰৰ লগত থকা সাংবাদিকতা আমাক লাগে।' সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় ক্ৰীড়া সম্পাদক মৃগাঙ্ক শেখৰ ভঁৰালী হাজৰিকাই ভাষণ প্ৰসংগত কয় যে, সাংবাদিকসকলৰ জীৱনৰ মুল্য সমাজত বহু বেছি। সেইবাবেই আমি সমাজখন তেওঁলোকৰ প্ৰতি দ্বায়বদ্ধ হোৱা উচিত। সভাখনৰ আৰম্ভণিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু জুৱিন গাৰ্গৰ প্ৰতিছবিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শুভাৰম্ভ কৰে সমাজসেৱক পুলিন হাজৰিকাই। ইয়াৰ পিছতে প্ৰয়াত সাংবাদিকসকলৰ প্ৰতি শ্ৰদ্ধা জনাই উপস্থিতসকলে। সাংগঠনিক সভাখনতে জাৰ্ণেলিষ্ট এছ'চিয়েছন ফ'ৰ আসাম চমুকৈ জাফাৰ কলিয়াবৰ জিলা সমিতিখন গঠন কৰা হয়। নৃপেন চন্দ্ৰ কেঁওটক সভাপতি, খনিন্দ্ৰ কুমাৰ গোস্বামীক কাৰ্যকৰী সভাপতি, ইমৰান হুচেইন, কাবুল কলিতা, গুলজাৰ হুছেইনক উপ-সভাপতি, জয়ন্ত কুমাৰ শৰ্মাক সাধাৰণ সম্পাদক, অনুপ বৰা, বিকাশজ্যোতি বৰুৱাক সম্পাদক, মৃদুপল্লৱ শইকীয়া, অজয় দে, পংকজ শইকীয়া, শ্যামল বৈৰাগী, ইনামূল হকক সাংগঠনিক সম্পাদক, পাৰ্থ হাজৰিকাৰ কাৰ্যালয় সম্পাদক, নেকিবুৰ ৰহমান, মিলি মহন্তক প্ৰচাৰ সম্পাদক হিচাপে লৈ কলিয়াবৰ জিলা সমিতিখন গঠিত হয়।

# গুৱাহাটীত অসম সাহিত্য সভাৰ উদ্যোগত অধিবক্তা সমাজৰ বিদ্যায়তনিক আৰু সাংস্কৃতিক সমাৰেশ

## ৰাজনৈতিক আৰু আইনহে ভাষা শ্ৰীবৃদ্ধি হোৱাত সহায় কৰে ঃ ড° ধ্ৰুৱজ্যোতি বৰা




**ৰমেন ভৰালী, বংশৰ ঃ** 'অতীতৰ পৰাই অসমত বিভিন্ন জাতি-জনগোষ্ঠী প্ৰব্ৰজন ঘটিছে, তেওঁলোকে ইয়াতে থাকি অসমীয়া ভাষা ক'বলৈ লৈছে যদিও অসমীয়া ভাষা বৰ্তমানেও সংকটত আছে।' যোৱা ২০ চেপ্তেম্বৰত অসম সাহিত্য সভাৰ উদ্যোগত আৰু গুৱাহাটী উচ্চ ন্যায়ালয় শাখা সাহিত্য সভা (স্বৰ্ণ)-ৰ সহযোগত ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ সংগীতাচাৰ্য্য লক্ষ্মীৰাম বৰুৱা সদনত অধিবক্তা সমাজৰ বিদ্যায়তনিক আৰু সাংস্কৃতিক সমাৰেশত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি এই মন্তব্য কৰে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাই। তেখেতে প্ৰব্ৰজিত লোকসকলৰ কথা ব্যাখ্যা কৰিবলৈ গৈ অসমৰ ইতিহাস সুঁৱৰি কয় যে সেয়ে অসমত বিদেশী খেদা আন্দোলন হৈছিল। অসমীয়া ভাষাৰ লগতে অসমত কোনসকল লোক অসমীয়া হিচাপে বসবাস কৰি থাকিব সেই বিষয়ে সংজ্ঞা দিয়াটো অতি কঠিন যদিও ইয়াৰ ধাৰণা দাঙি ধৰিবলৈ চেষ্টা কৰিছোঁ। যাতে অসমত বাস কৰা কোনো খিলঞ্জীয়া লোক বাদ পৰি নাযায়। সভাৰ আৰম্ভণিতে পুৱা পৰলোকগমন কৰা বিশিষ্ট কবি, লেখক, অনুবাদক তথা অসম সাহিত্য সভাই জাতীয় কবি অভিধাৰে সন্মানিত আনিছ উজ্ জামান আৰু বিশিষ্ট শিল্পী জয়ন্ত হাজৰিকাৰ ওপজা দিন উপলক্ষে প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰা হয়। ইয়াৰ পাছত গুৱাহাটী উচ্চ ন্যায়ালয় শাখা সাহিত্য সভাৰ শিল্পীবৃন্দই পৰিৱেশন কৰা সভাৰ 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক গীতৰ পাছত অসম সাহিত্য সভাৰ প্ৰধানসম্পাদক দেৱজিৎ বৰাই উদ্দেশ্যৰ কথকতা প্ৰসংগত কয় যে- বিদ্যায়তনিক চিন্তা-চৰ্চা আৰু সাংস্কৃতিক পৰম্পৰাক একেখন মঞ্চত একত্ৰিত কৰি সমাজৰ বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিৰ মাজত মত-বিনিময়ৰে এক সুস্থ পৰিৱেশ সৃষ্টি কৰাটোৱে অসম সাহিত্য সভাৰ মূল লক্ষ্য। অসম সাহিত্য সভাই অসমীয়া ভাষা আৰু সাহিত্যৰ বিকাশৰ লগতে অসমৰ জাতীয় জীৱনৰ বিভিন্ন ক্ষেত্ৰত সাংস্কৃতিক আৰু বৌদ্ধিক চেতনা জাগ্ৰত কৰাৰ ক্ষেত্ৰত দীৰ্ঘদিন ধৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। সেই ধাৰাবাহিকতাৰ অংশ হিচাপেই এই বিদ্যায়তনিক আৰু সাংস্কৃতিক সমাৰেশৰ আয়োজন কৰা হৈছে। আন এগৰাকী বিশিষ্ট অতিথি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° ধ্ৰুৱজ্যোতি বৰাই ভাষা আৰু সাহিত্য দুয়োটাই বেলেগ বেলেগ বুলি উল্লেখ কৰি কয় যে ৰাজনৈতিক আৰু আইনৰ গণ্ডীৰ ভিতৰতহে ভাষা এটা কেনেকৈ জীয়াই থাকিব সেয়া নিৰ্ধাৰণ কৰা হয়। তেখেতে জাতি-জনগোষ্ঠীক ধৰ্মই একতাৰ ডোলেৰে বান্ধিব নোৱাৰে বুলি উল্লেখ কৰি কয় যে ভাষাইহে সকলোকে একত্ৰিত কৰিব পাৰে। ঐক্য, সংহতি জড়িত থকা ভাৰতবৰ্ষত আমি ভাষাৰ বাবেহে এক হৈ থাকিব পাৰিম বুলি উল্লেখ কৰি প্ৰাক্তন সভাপতি ড° বৰাই কয় ভাৰতত হিন্দী ভাষা বুলি কোনো ভাষা সংবিধানত নাই। ইফালে অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাই সমাৰেশত উপস্থিত থাকি কয় যে- আহি থকা লোকপিয়লত যাতে প্ৰত্যেকগৰাকী অসমীয়াই নিজৰ ভাষাটো অসমীয়া ভাষা হিচাপে স্থান দিব লাগিব। তেতিয়াহে অসমত অসমীয়া ভাষা সংকটৰ পৰা মুক্তি লাভ কৰিব। গুৱাহাটী উচ্চন্যায়ালয় শাখা সাহিত্য সভাৰ সম্পাদক সন্দীপ চমৰীয়াই আঁত ধৰা অনুষ্ঠানত দহ গৰাকী বিশিষ্ট অধিবক্তাক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধিত ব্যক্তিসকল হৈছে-পদ্মশ্ৰী ড° ৰোমান শৰ্মা, মৃণাল কুমাৰ চৌধুৰী, ভৱ গোস্বামী, জিতেন দাস, ধ্ৰুৱ কুমাৰ সাহা, গোলক পাঠক, ৰাজীৱ গৈগৈ, বাসুদেৱ শৰ্মা, প্ৰসেনজিৎ কুমাৰ গোস্বামী, গীয়াছুদ্দিন আহমেদ। সমাৰেশত বিশিষ্ট অতিথি হিচাপে বাৰ কাউন্সিল শচঅসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশগ্নৰ অধ্যক্ষ চিন্ময় চৌধুৰী, গুৱাহাটী উচ্চ ন্যায়ালয় উকীল সন্থাৰ সভাপতি অংশুমান বৰা, উপসভাপতি মানস শৰণীয়া, গুৱাহাটী উচ্চন্যায়ালয় শাখা সাহিত্য সভাৰ সভাপতি কৃষ্ণকান্ত মহন্তৰ প্ৰমুখ্যে কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বহুকেইগৰাকী অধিবক্তাৰ লগতে অসম সাহিত্য সভাৰ বিভিন্ন পৰ্যায়ৰ বিষয়ববীয়া উপস্থিত থাকে। শেষত জাতীয় সংগীতেৰে সভাৰ সামৰণি পৰে।

# ডবকা ছোৱালী হাইস্কুলত শিক্ষাৰ্থীৰে শৈক্ষিক আলাপত পৰেশ বৈশ্য



**গুৱাহাটী ঃ** মুখস্থ বিদ্যাৰে নম্বৰ পাব পাৰি, কিন্তু বিষয়বস্তুৰ গুৰুত্ব আহৰণ কৰিব নোৱাৰি। মুখস্থ বিদ্যাই বিষয়বস্তুৰ স্পষ্টতা আহৰণৰ হেঙাৰ। ১৮ ছেপ্টেম্বৰত ডবকা ছোৱালী হাইস্কুলত শিক্ষাৰ্থীৰে হোৱা এক শৈক্ষিক আলাপত বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্যই এইদৰে কয়। তেওঁ কয় যে মুখস্থ বিদ্যাই ছাত্ৰ-ছাত্ৰীক সুবিবেচিত চিন্তাৰ গৰাকী হোৱাতো বাধা দিয়ে। প্ৰশ্ন কৰা, পৰ্যৱেক্ষণ কৰা আৰু আনে নকৰা ধৰণে কৰা চিন্তাৰ জৰিয়তেহে সুবিবেচিত চিন্তাৰ উত্তৰণ ঘটে। তেওঁ শিক্ষাৰ্থীসকলক কয় যে শিক্ষাৰ উৎপাদনমুখিতা, দক্ষতাসংপৃক্ত দিশটো নিৰ্বাচন কৰি জীৱনক আগুৱাই নিব নোৱাৰিলে, কেৱল এটা ডিগ্ৰী বা এখন মাৰ্কছিটে জীৱন জীৱিকা সন্ধান দিব নোৱাৰে। বিদ্যালয়বোৰত শিক্ষকে পাঠ্যপুথিৰ পাঠবোৰক প্ৰকল্পধৰ্মী কৌশলেৰে আগুৱাই নিব পাৰিব লাগিব। অভিজ্ঞতামূলক শিক্ষণৰো আধাৰ ইয়াৰ জৰিয়তেহে নিৰ্মাণ হ'ব। তেওঁ আলাপত ভাগ লৈ বিদ্যালয়খনৰ শিক্ষকসকলক কয় যে শিক্ষকসকল সদায় একো একোজন ভাল শিকাৰু হৈ থাকিব লাগিব। নিজৰ বৃত্তিটোক নতুন নতুন প্ৰশিক্ষণ আৰু অভিজ্ঞতাপুষ্ট শিক্ষাবিদৰ মাৰ্গদৰ্শনেৰে নৱীকৰণ কৰি নাথাকিলে তেনে শিক্ষক এসময়ত শিক্ষাৰ্থীসকলক বাবে অপ্ৰাসংগিক হৈ পৰাটো স্বাভাৱিক। অনুষ্ঠানত ভাগ লৈ বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী বন্তি শইকীয়া কয় যে বৈশ্যৰ অভিজ্ঞতাপুষ্ট শৈক্ষিক মাৰ্গদৰ্শনে ছাত্ৰীসকলক বিশেষভাৱে উপকৃত কৰাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী সকলকো শৈক্ষিক সমল যোগায়। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়খনৰ তৰফৰ পৰা বৈশ্যক ফুলাম গামোচা, ফুলৰ থোপা, স্মাৰক আদিৰে সম্ভাষণ জনায়। পৰেশ বৈশ্য ফাউণ্ডেচনৰ পোহৰ বিদ্যালয়ৰ সহযোগত আৰু ডবকা ছোৱালী হাইস্কুলৰ উদ্যোগত আয়োজিত এই বক্তৃতা অনুষ্ঠানত নৱম আৰু দশম শ্ৰেণীৰ শতাধিক শিক্ষাৰ্থীয়ে ভাগ লয়। শিক্ষাবিদ বৈশ্যই পাছত শংকৰদেৱ নগৰ হাইস্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতো শৈক্ষিক আলাপত ভাগ লৈ পৰীক্ষাৰ কিদৰে প্ৰস্তুতি চলাব লাগে সেই বিষয়ত ভালেমান পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত বিদ্যালয়সমূহৰ পৰিদৰ্শক ৰঞ্জন কুমাৰ ডেকা ও উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীকসকলক কিছু শৈক্ষিক পৰামৰ্শ আগবঢ়ায়।

# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ সকলো জনগোষ্ঠীৰেই গুৰু ঃ ই এম বেগম আখতাৰা আহমেদ

## বাক্সাৰ কালপানীত শংকৰদেৱৰ জন্মোৎসৱত হেজাৰ-হেজাৰ হিন্দু-মুছলমানৰ সমন্বয়ৰ সাংস্কৃতিক শোভাযাত্ৰাৰে উজ্বলিল



**প্ৰসন্ন নাথ, বৰপেটাৰোড ঃ** বাক্সাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত কালপানীত শংকৰ সোঁৱৰণী সংঘ নামঘৰ প্ৰাংগণত উদ্‌যাপিত শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মোৎসৱত ভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমাগম হয়। শ্ৰীমন্ত শংকৰদেৱৰ কৃষ্টি-সংস্কৃতিৰ লগতে অসমৰ বৰ্ণাঢ্য সংস্কৃতিৰ ৰূপৰেখা প্ৰদৰ্শন কৰা হয় শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱথলীত। উল্লেখ্য যে- তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে উদ্‌যাপন হৈছে কালপানী শংকৰ সোঁৱৰণী নামঘৰ প্ৰাংগণত শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱত। পুৱা গোলাপী পাঠকৰ পৰিচালনাত নাম প্ৰসংগৰে শুভাৰম্ভ কৰা হয় তিনিদিনীয়াকৈ উদ্‌যাপিত শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ। ইয়াৰ পিছতে অসমৰ হাৰ্ট থ্ৰ'ৰ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি নিবেদন কাৰ্যসূচী মুকলি কৰে বাক্সা জিলা ছাত্ৰ সন্থাৰ সভাপতি জুবিন দাসে। দিনৰ দহ বজাৰ পৰা বৃহত্তৰ কালপানী অঞ্চলত উলিওৱা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে বিটিচিৰ কাৰ্যবাহী সদস্য বেগম আখতাৰা আহমেদে। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰি দিয়া ভাষণত বেগম আখতাৰা আহমেদে কয়- 'বৃহত্তৰ অসম তথা অসমীয়া সমাজ নিৰ্মাতা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে নিজেই সৃষ্টি কৰা সংস্কৃতি তথা এক সাংস্কৃতিক আন্দোলনৰ জৰিয়তে অসমখনক নিৰ্মাণ কৰি থৈ গৈছে। শ্ৰীমন্ত শংকৰদেৱে হিন্দু-মুছলমান তথা ভিন্ন জাতি-জনগোষ্ঠীৰ ৰাইজৰ মাজত সমন্বয়, শান্তি প্ৰতিষ্ঠাৰ বাবে যিবোৰ সংস্কৃতিৰ সৃষ্টি কৰি থৈ গৈছে, সেইবোৰ সংস্কৃতি সকলো জাতি-জনগোষ্ঠীৰ বাবে অমূল্য সম্পদ। শ্ৰীমন্ত শংকৰদেৱৰ সংস্কৃতি সমন্বয় গঢ়াৰ সংস্কৃতি। শ্ৰীমন্ত শঙ্কৰদেৱ অসমত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীৰ গুৰু। আমি সকলো জাতি-জনগোষ্ঠীয়ে ঐক্যবদ্ধভাৱে শ্ৰীমন্ত শংকৰদেৱে বিচৰা ধৰণে এখন শান্তি-সমন্বৰ সমাজ প্ৰতিষ্ঠা কৰাৰ বাবে ঐক্যবদ্ধভাৱে কাম কৰিব লাগিব'। উল্লেখ্য যে- অগণন শিল্পী তথা ৰাইজে অংশগ্ৰহণ কৰে সাংস্কৃতিক শোভাযাত্ৰাত। হিন্দু-মুছলমান তথা অসমীয়া, মুছলমান, বাঙালী, আদিবাসী, নেপালী, কোচ ৰাজবংশী, শৰণীয়া কছাৰী, ৰাভা আদি বিভিন্ন জনগোষ্ঠীৰ ৰাইজ তথা শিল্পীয়ে বৰ্ণাঢ্য সংস্কৃতি পৰিবেশনেৰে সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰি এক মহামিলনৰ থলীলৈ ৰূপান্তৰিত কৰে বৃহত্তৰ কালপানী অঞ্চল। বিয়লিৰ পৰা নিশালৈকে শ্ৰীমন্ত শংকৰদেৱৰ 'বীৰনাম' পৰিৱেশন কৰে কেবাটাও নিমন্ত্ৰিত নাম দলৰ শিল্পীয়ে।

# শিৱসাগৰৰ নামতি খেমদৈ কাকতি গাঁৱত 'জুবিন দিৱস' পালন, বন্তি প্ৰজ্বলন আৰু শান্তি সমদল




**দীপজ্যোতি কাকতি, কালুগাঁও ঃ** সমগ্ৰ অসমৰ বিভিন্ন প্ৰান্তৰ লগতে শিৱসাগৰ জিলাৰ নামতি অঞ্চলতো ৰাজ্যৰ হাৰ্টথ্ৰব, জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই শ্ৰদ্ধাৰে 'জুবিন দিৱস' পালন কৰা হয়। নামতিৰ খেমদৈ কাকতি গাঁৱৰ ৰাইজে এক আৱেগিক কাৰ্যসূচীৰে শিল্পীগৰাকীক স্মৰণ কৰি এই দিৱস উদ্‌যাপন কৰে। প্ৰাপ্ত বাতৰি অনুসৰি, শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰি খেমদৈ কাকতি গাঁৱৰ মাজ নামঘৰৰ সমীপত এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীৰ প্ৰতি সন্মান জ্ঞাপন কৰা হয়। গাঁৱৰ শতাধিক যুৱক-যুৱতী, মহিলা আৰু শিশুৱে স্বতঃস্ফূৰ্তভাৱে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি পৰিৱেশ জীপাল কৰি তোলে। বন্তি প্ৰজ্বলনৰ পিছতেই উপস্থিত প্ৰায় শতাধিক ৰাইজে একেলগে কণ্ঠ মিলাই জুবিন গাৰ্গৰ অন্যতম জনপ্ৰিয় তথা কালজয়ী গীত 'মায়াবিনী' পৰিৱেশন কৰে। আবাল-বৃদ্ধ-বনিতা সকলোৱে একেলগে শিল্পীগৰাকীৰ গীতত সুৰ মিলোৱাত সমগ্ৰ অঞ্চলটোত এক আৱেগিক আৰু মনোমোহা পৰিৱেশৰ সৃষ্টি হয়। ইয়াৰ পৰৱৰ্তী কাৰ্যসূচী হিচাপে শিল্পীগৰাকীৰ স্মৃতিত আৰু বিশ্বত ভাতৃত্ববোধৰ বাৰ্তা বিলাই গাঁৱত এক 'শান্তি সমদল' বাহিৰ কৰা হয়। শতাধিক মহিলা, শিশু আৰু যুৱক-যুৱতীৰ অংশগ্ৰহণ এই সমদলত পৰিলক্ষিত হয়। আনহাতে, সন্ধিয়া গাঁৱৰ প্ৰতিঘৰ মানুহৰ পদূলিত একোগছিকৈ বন্তি প্ৰজ্বলন কৰা হয়। এই বন্তি প্ৰজ্বলনৰে সমগ্ৰ গাঁওবাসীয়ে গভীৰ শ্ৰদ্ধা আৰু আন্তৰিকতাৰে মৰমৰ শিল্পীগৰাকীক স্মৰণ কৰে। খেমদৈ কাকতি গাঁৱবাসীৰ এই পদক্ষেপে জুবিন গাৰ্গৰ প্ৰতি থকা ৰাজ্যবাসীৰ লগতে ৰাইজৰ অপৰিসীম ভালপোৱাকে পুনৰবাৰ প্ৰতিফলিত কৰিছে।

# পৰেশ বৈশ্যলৈ ৰ'টাৰী জ্ঞান জ্যোতি এৱাৰ্ড



**গুৱাহাটী ঃ** বিশিষ্ট শিক্ষাবিদ, লেখক-সাংবাদিক তথা দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ পৰেশ বৈশ্যক ৰ'টাৰী ক্লাব অব গুৱাহাটী চাউথে ২০২৬ বৰ্ষৰ ৰ'টাৰী জ্ঞান জ্যোতি এৱাৰ্ডৰ বাবে নিৰ্বাচিত কৰিছে। শিক্ষকতা জীৱনত শৈক্ষিক ক্ষেত্ৰলৈ আগবঢ়োৱা বিশিষ্ট অৱদানৰ লগতে দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰা সময়ছোৱাত তেখেতে বিদ্যালয়খনলৈ অনা চকুত লগা ৰূপান্তৰৰ স্বীকৃতি স্বৰূপে এই বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। ইয়াৰ উপৰিও অৱসৰৰ পাছতো তেখেতে শিক্ষাৰ উত্তৰণৰ হকে পৰেশ বৈশ্য ফাউণ্ডেচন নামৰ এটি ট্ৰাষ্ট গঠন কৰি ইয়াৰ 'পোহৰ বিদ্যালয়' নামৰ এক ভ্ৰাম্যমাণ বিদ্যালয়ৰ জৰিয়তে অসমৰ দুই লক্ষাধিক শিক্ষাৰ্থীক শৈক্ষিক মাৰ্গদৰ্শন দি সকলোৰে আদৰ্শ হৈছে। অহা ২৫ ছেপ্টেম্বৰত গুৱাহাটীৰ ৰাজধানী ৰিগেঞ্চি হোটেলত অনুষ্ঠিতব্য এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত তেখেতক উক্ত বঁটাটো আনুষ্ঠানিকভাৱে প্ৰদান কৰিব।

# পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ শুভাৰম্ভ আৰু নৱাগত আদৰণি সভা সম্পন্ন

## ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'কৰ্ষণ' উন্মোচন




**দিব্যজ্যোতি ভূঞা, পুৰণিগুদাম ঃ** 'অসমৰ নিচিনা কৃষ্টি-সংস্কৃতিৰে পৰিপূৰ্ণ আৰু চহকী ঠাই পৃথিৱীৰ ক'তোৱেই বিচাৰি পাবলৈ নাই। অসমীয়া কৃষ্টিত বিনয় ভাৱ আছে আৰু সেই বিনয় ক্ষমা ভিক্ষাৰ মাজেৰে প্ৰকাশ পায়। অসমীয়া কৃষ্টিৰ বিশেষ লক্ষণ সাতটি 'ব' আখৰৰ মাজেৰে প্ৰকাশ পায়। সেয়া হৈছে ক্ৰমে, বিনয়, বিনোদন, বান্ধোন, বিলনীয়া, বৰষুণ, বৰদৈচিলা আৰু বোধন।' এই মন্তব্য গুৱাহাটী আৰু তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, পদাৰ্থ বিজ্ঞানী, বিশিষ্ট আবৃত্তিকাৰ, কবি ড° অমৰজ্যোতি চৌধুৰীৰ। নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী অনুষ্ঠানৰ যোৱা দহ ছেপ্টেম্বৰত শুভাৰম্ভ আৰু নৱাগত আদৰণি সভাৰ মুখ্য অতিথিৰূপে উপস্থিত থাকি প্ৰজ্ঞাৰ সাধকগৰাকীয়ে পিতৃ প্ৰয়াত লক্ষ্যধৰ চৌধুৰীৰ উদ্ধৃতিৰে কয় যে, অসমখন এঠা দৈৰ নিচিনা। হাতৰ পৰা এঠা দৈ সহজে এৰাই নোযোৱাৰ নিচিনাকৈ ইয়াৰ মানুহবোৰৰ মৰম-স্নেহবোৰো হৃদয়ত, ব্যৱহাৰত লাগি ৰয় আৰু ই ক্ষন্তেকীয়া নহয়। অসমখন কৃষ্টিৰ সংঙ্গম স্থলী। তেওঁ নিজৰ স্বভাৱসুলভ সাৱলীল ভাষণ প্ৰসঙ্গত অসমীয়া কৃষ্টিত ব্যৱহৃত ঢোলৰ সন্দৰ্ভত বাখ্যা আগবঢ়াই কয় যে, মেঘে মেঘে খুন্দা লাগিলে যি শব্দ হয়, সেই শব্দ অসমীয়া কৃষ্টিত ব্যৱহৃত ঢোলৰ মাজেৰে ফুটি উঠে। এই শব্দ মেঘৰ অৱদান। সেয়ে ঢোলৰ শব্দই অসমীয়া মানুহৰ মন আৱেগিক কৰি তোলে। এই শব্দই বৰষুণ অহাৰ আগজাননী দিয়ে। শ্ৰমজীৱী কৃষকক ঢোলৰ শব্দই মতলীয়া কৰে। তেওঁ বিষ্ণুপ্ৰসাদ ৰাভাৰ উদ্ধৃতিৰে বিহু কিয় পালন কৰা হয় তাৰ সন্দৰ্ভতো বক্তব্য আগবঢ়ায়। উল্লেখ্য যে, পুৰণিগুদামৰ সু-সন্তান বিদ্যাধৰ খাওণ্ডৰ বলিষ্ঠ নেতৃত্বত পুৰণিগুদাম অঞ্চলৰ ৰাইজৰ সহযোগত পুৰণিগুদামৰ সু-সন্তান প্ৰাক্তন শিক্ষামন্ত্ৰী, কবি দেৱকান্ত বৰুৱাই ১৯৬৭ চনৰ ৩১ জুলাইত ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয় প্ৰতিষ্ঠাৰ বীজ ৰোপন কৰিছিল আৰু আজি উক্ত বীজ জ্ঞানৰ ফুলে-ফলে জাতিস্কাৰ হৈ ৬০ বছৰত ভৰি দিয়ে। সেই উপলক্ষে আয়োজিত মুকলি সভাখন আঁত ধৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা ড° শান্তনু বৰদলৈয়ে। ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° ভূপেন শইকীয়া ৰচিত আৰু প্ৰশান্ত গোস্বামী সুৰাৰোপিত 'জ্ঞানৰ বন্তি জ্বলাম' শীৰ্ষক মহাবিদ্যালয়ৰ গীতটো ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰাৰ পাছতে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পুলিন হাজৰিকাই পৰিচালনা কৰা সভাত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাস, উপাধ্যক্ষ ড° সোমনাথ বৰা, চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইন্দ্ৰজিৎ বেজবৰুৱা উপস্থিত থাকে। মহাবিদ্যালয়ৰ ফালৰ পৰা সকলোকে ফুলাম গামোচাৰে আদৰণি জনোৱাৰ পাছত মুখ্য অতিথি ড° অমৰজ্যোতি চৌধুৰীক শৰাই, ফুলাম গামোচা, চেলেং আৰু কিতাপৰ টোপোলাৰে সম্বৰ্দ্ধনা জনোৱা হয়। সভাৰ উদ্দেশ্য বাখ্যা কৰে ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° সোমনাথ বৰাই আৰু অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাসে আদৰণি ভাষণ প্ৰদান কৰে। উক্ত অনুষ্ঠানতে ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'কৰ্ষণ' উন্মোচন কৰে মুখ্য অতিথি ড° অমৰজ্যোতি চৌধুৰীয়ে। গ্ৰন্থখনি উন্মোচন কৰাৰ পাছতে তেওঁ ভাষণ প্ৰদান কৰি ষ্টিফেন্স হকিন্সৰ মৌন হৈ কথা শুনাৰ সূত্ৰ ধৰি বৈজ্ঞানিক দৃষ্টিভংগীৰে অনুষ্ঠানত শুনাৰ আগ্ৰহ আৰু কোলাহল হৈছে নে নাই পৰীক্ষা কৰি উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক ভূঁয়সী প্ৰশংসা কৰা পৰিলক্ষিত হয়। তেওঁ বিদ্যালয় আৰু মহাবিদ্যালয় সমূহত আন আন বিষয়ৰ লগতে অসমীয়া কৃষ্টি সম্পৰ্কে পাঠদান কৰিবলৈকো পৰামৰ্শ আগবঢ়ায়। পুৰণিগুদাম মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভাষণ প্ৰদান কৰিবলৈ পায় নিজকে এজন অসমীয়া হিচাপে গৰ্ব অনুভৱ কৰাৰ কথা ব্যক্ত কৰে লগতে আমাৰ গান, আমাৰ কলা-কৃষ্টি, ভাষা-সংস্কৃতি সকলোতে জাতীয় জীৱনৰ প্ৰতিফলন হ'ব লাগিব বুলি কৈ তেওঁ কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা, ড° ভূপেন হাজৰিকাই দিয়া শিক্ষা আৰু জুবিন গাৰ্গে দিয়া প্ৰচণ্ড সাহসৰ বাবেই সগৌৰৱেৰে কথা ক'ব পৰিছো বুলি উল্লেখ কৰে। আমাৰ অসম সন্তানে বিশ্ব দৰবাৰত নিজক প্ৰতিষ্ঠা কৰা চাইহে পৃথিৱীৰ পৰা বিদায় ল'ব বুলি উক্ত সভাতে তেখেতে মনৰ আশা ব্যক্ত কৰে। মহাবিদ্যালয়ৰ প্ৰবক্তা ড° ঘনশ্যাম টাইডে আঁত ধৰা বঁটা বিতৰণী অনুষ্ঠানত ২০২৫-২০২৬ ৰ শিক্ষাবৰ্ষত মহাবিদ্যালয়ৰ ভিতৰত CGPA সৰ্ব্বোচ্চ নম্বৰ প্ৰাপ্ত ছাত্ৰী গীতামণি বৰুৱা, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সৰ্ব্বোচ্চনম্বৰ প্ৰাপ্ত জেৰিন অঞ্জুম ৰহমান, গ্ৰন্থাগাৰৰ শ্ৰেষ্ঠ পঢ়ুৱৈ স্নাতক শাখাৰ জোনমণি বেগম আৰু উচ্চতৰ মাধ্যমিক শাখাৰ আন্টেৰিক্স মাৰাক, উচ্চতৰ মাধ্যমিক শাখাত শিক্ষানীতি বিজ্ঞান বিষয়ত সৰ্ব্বোচ্চ নম্বৰপ্ৰাপ্ত জেৰিন অঞ্জুম ৰহমানক বৰ্ষশ্ৰেষ্ঠ বঁটাৰে সন্মানিত কৰা হয়।

প্ৰথম পৃষ্ঠাৰ পৰা

## নতুন ভাৰতৰ যুগদ্ৰষ্টা, বিশ্বনেতা, ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ

আগুৱাই যাবলৈ সাহস আৰু শক্তি যোগাই আহিছে। তেখেতৰ জন্মদিনৰ এই পবিত্ৰ ক্ষণত মা কামাখ্যা আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ চৰণত প্ৰাৰ্থনা জনাইছোঁ - আই ভাৰতীৰ সেৱাত সদায় সমৰ্পিত হৈ থাকিবলৈ প্ৰধানমন্ত্ৰী ডাঙৰীয়াক সুস্বাস্থ্য, অপাৰ মনোবল আৰু দীৰ্ঘায়ু প্ৰদান কৰক। এই উদ্দেশ্যৰে যোৱা ১৭ চেপ্তেম্বৰত জালুকবাৰী সমষ্টিৰ উত্তৰ গুৱাহাটীত দেশৰ সন্মানীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ জন্মদিন উপলক্ষে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই 'আশীৰ্বাদৰ বন্তি' শীৰ্ষক কাৰ্যসূচীত অংশগ্ৰহণ কৰি বন্তি প্ৰজ্বলনেৰে আশীৰ্বাদ বিচাৰি এনদৰে কয়। অনুষ্ঠানত ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত কুমাৰ ভট্টাচাৰ্য আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী উপস্থিত আছিল।

# বাক্সাৰ নৰসিংবাৰীত ২ কিশোৰৰ সলিল সমাধি

## সৰুপেটাৰ বাসিন্দা দিগন্ত আৰু মুনৰ মৃত্যুত সৰুপেটা অঞ্চলত শোক



**প্ৰসন্ন নাথ, বৰপেটাৰোড ঃ** বাক্সাৰ শালবাৰী মহকুমাৰ গোৱৰ্ধনা আৰক্ষী থানাৰ অন্তৰ্গত নৰসিংবাৰীত দুপৰীয়া পল্লা নদীত দুগৰাকী স্কুলীয়া ছাত্ৰ তথা কিশোৰৰ সলিল সমাধি ঘটা ঘটনাই বৃহত্তৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। পল্লা নদীত সলিল সমাধি ঘটা কিশোৰদ্বয় বজালী জিলাৰ সৰুপেটাৰ শান্তিপুৰ গাঁৱৰ দিপাংকৰ কলিতাৰ পুত্ৰ দিগন্ত কলিতা (১৪) আৰু সৰুপেটা বজাৰৰ বাসিন্দা তীৰ্থনাথ দাসৰ পুত্ৰ মুন দাস (১৪)। নিহত দুয়োগৰাকী কিশোৰ সৰুপেটা বিদ্যা মন্দিৰ হাইস্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰ। উল্লেখ্য যে- দিগন্ত কলিতা, মুন দাস আৰু আন এগৰকী কিশোৰ মুঠ তিনি গৰাকী কিশোৰে সৰুপেটাৰ পৰা প্ৰায় ২০ কিলোমিটাৰ দূৰত্বত অৱস্থিত নৰসিংবাৰীলৈ চাইকেলেৰে বিশেষ কাৰণত গৈছিল। দুপৰীয়াৰ ভাগত দিগন্ত কলিতা আৰু মুন দাসৰ লগতে লগত থকা আন গৰাকী কিশোৰেও নৰসিংবাৰীত পল্লা নদীত গা ধুবলৈ নামিছিল। কিন্তু নদীখনৰ দ ঠাইত নামি যোৱাত আৰু নদীৰ সোঁতত দিগন্ত কলিতা আৰু মুন দাস সন্ধানহীন হৈ পৰে। লগত থকা আন গৰাকী কিশোৰে স্থানীয় ৰাইজৰ সহযোগত নৰসিংবাৰীৰ নিকটৱৰ্তী আনন্দ বজাৰ আৰক্ষী চকীত দিগন্ত কলিতা আৰু মুন দাসে পল্লা নদীত সন্ধানহীন হোৱাৰ বিষয়ে অৱগত কৰাত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হয়। নদীত সন্ধানহীন হোৱাৰ কিছু সময় পিছতে স্থানীয় ৰাইজে দিগন্ত কলিতা আৰু মুন দাসৰ মৃতদেহ দুটা পল্লা নদীৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে- সৰুপেটাৰ বাসিন্দা দিগন্ত কলিতা আৰু মুন দাসৰ পাল্লা নদীত কৰুণভাৱে সলিল সমাধি ঘটা ঘটনাই বৃহত্তৰ সৰুপেটা অঞ্চলৰ ৰাইজৰ মাজতো গভীৰ শোকৰ ছাঁ পৰিছে।

# পলাশনীত শঙ্কৰী সংস্কৃতি বিকাশ কেন্দ্ৰৰ সোণালী জয়ন্তীৰ ব্যাপক প্ৰস্তুতি

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ পলাশনী অঞ্চলৰ আধ্যাত্মিক আৰু সাংস্কৃতিক প্ৰাণকেন্দ্ৰ হিচাপে পৰিচিত পলাশনী শঙ্কৰী সংস্কৃতি বিকাশ কেন্দ্ৰ। প্ৰাথমিকে এই বৰ্ষত গৌৰৱোজ্বল ৫০ বছৰত ভৰি দিছে। এই ঐতিহাসিক উপলক্ষক স্মৰণীয় কৰি তুলিবলৈ অহা ১, ২, ৩ আৰু ৪ অক্টোবৰত চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে সোণালী জয়ন্তী মহোৎসৱ উদ্‌যাপন কৰা হ'ব। জানিব পৰা মতে, ১৯৩০ চনতে পলাশনী গাঁৱৰ পিতৃ-পিতামহসকলে প্ৰতিষ্ঠা কৰিছিল 'শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ'। সেই সংঘৰ আদৰ্শ আৰু অনুপ্ৰেৰণাকে সাৰোগত কৰি ১৯৭৬ চনৰ ১৭ ছেপ্টেম্বৰৰ পবিত্ৰ দিনটোত জন্ম হৈছিল 'পলাশনী শঙ্কৰী সংস্কৃতি বিকাশ কেন্দ্ৰ, প্ৰাথমিক'ৰ। জন্মলগ্নৰে পৰা শঙ্কৰদেৱ সংঘৰ পলাশনী প্ৰাথমিকৰ সৈতে একত্ৰে থাকি এই অনুষ্ঠানটিয়ে বিগত ৪৫-৪৬ বছৰ ধৰি অঞ্চলটোত কলা-সাহিত্য-সংস্কৃতি আৰু ধৰ্মীয় জগতত নিৰৱচ্ছিন্ন সেৱা আগবঢ়াই আহিছে। শঙ্কৰী সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰ, নাম-কীৰ্তনৰ চৰ্চা আৰু নৱ প্ৰজন্মৰ মাজত নৈতিক মূল্যবোধ জগাই তোলাত এই কেন্দ্ৰই এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। এই গৰিমাময় যাত্ৰাৰ ৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে সোণালী জয়ন্তী উদ্‌যাপন সমিতিয়ে উৎসৱৰ দিন-বাৰ নিৰ্ধাৰণ কৰিছে। সিদ্ধান্ত অনুসৰি ৫৭৮ শঙ্কৰাব্দৰ ১৩, ১৪, ১৫ আৰু ১৬ আহিন অৰ্থাৎ ১, ২, ৩ আৰু ৪ অক্টোবৰত চাৰিদিনীয়াকৈ এই মহোৎসৱ বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হ'ব। পলাশনী শঙ্কৰী বিকাশ প্ৰাথমিকৰ লগতে সমূহ পলাশনীবাসী ৰাইজৰ সক্ৰিয় সহযোগত অনুষ্ঠিত হ'বলগীয়া এই সোণালী জয়ন্তী উৎসৱত বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। উৎসৱত প্ৰতিদিনে নাম-প্ৰসঙ্গ, গুৰু-চৰিত পাঠ, ভাওনা প্ৰদৰ্শন, সত্ৰীয়া নৃত্য-গীতৰ অনুষ্ঠান, ধৰ্মালোচনী সভা, সাংস্কৃতিক শোভাযাত্ৰা, গ্ৰন্থ উন্মোচন, প্ৰবীণ ব্যক্তিৰ সম্বৰ্ধনা আৰু বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হ'ব। ইয়াৰোপৰি সত্ৰৰ সত্ৰাধিকাৰ সকল, বিশিষ্ট সাহিত্যিক, শিল্পী আৰু বুদ্ধিজীৱি সকলক আমন্ত্ৰণ জনোৱাৰ পৰিকল্পনা কৰা হৈছে। অনুষ্ঠানৰ জন্মদাতা পিতৃ-পিতামহ সকলৰ ত্যাগ আৰু অৱদানক শ্ৰদ্ধাৰে সোঁৱৰি আৰু নতুন প্ৰজন্মক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আদৰ্শৰে অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যেৰে এই সোণালী জয়ন্তীক এক মিলনৰ থলীলৈ ৰূপান্তৰ কৰাৰ প্ৰয়াস কৰা হৈছে। এই ক্ষেত্ৰত উদ্‌যাপন সমিতিৰ হৈ অপূৰ্ব কুমাৰ বৰা আৰু শৰৎ শইকীয়াই সকলো ভক্তপ্ৰাণ ৰাইজ, শুভাকাংক্ষী, দাতা-বৰঙণি আগবঢ়োৱা ব্যক্তি আৰু আজীৱন সদস্য সকলৰ আন্তৰিক সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

## কন্টকময়ী নয়ন

**ভূপালী গোস্বামী**

স্তব্ধতাৰে মই বাট বুলিছো
তোমাৰ অশ্ৰুশিক্ত নয়নজুৰি
দেখিও নেদেখা হৈছো
তোমাৰ বিছিন্ন হৃদয়খনি বুজিও
নুবুজাৰ ভাও ধৰিছো।
তুমিও বৰ সাহসী
বৰ আগ্ৰহী, উন্মাদিত
মাতৃক পিন্ধাবলৈ জয়ৰ শিকলি
কন্টকী ৰজনী কটাবলৈও সাজু তুমি।
মই জানো,
তুমি শতদল নিবিচাৰা,
মাত্ৰ আকলুৱা হৈ আছা
এবুকু ত্যাগব্ৰতী অনুৰাগৰ প্ৰতি
হে অনুৰাগ বাকবদ্ধ হ'লো মই,
সীমনা চকুযুৰিৰ, অসীমৰ পাৰৰ হেঁপাহ
দিম মই কোলাত গুজি,
মোৰ অনুৰাগ চিৰদিন তুমি।

**ম'বাইল ঃ** ৬০০০৮-৫৭৬৩০

## প্ৰকৃত ঠিকনা

**ৰূপালী গগৈ চুতীয়া**

তুমি ৰঙা ভাল পোৱা বাবেই
ৰঙীন হৈ গৈছিলোঁ
পিছে এতিয়া কি কৰোঁ?
তুমি বৰষুণ ভাল পোৱা বাবেই
চিপচিপিয়া বৰষুণত তিতিলোঁ
পিছে এতিয়া কি কৰোঁ?
মাথোঁ জীয়াই থাকিবৰ বাবে নহয়
আন্তৰিকতা আছে বাবে
হয়টো নিজৰ কৰি লৈছিলোঁ
পিছে ....
প্ৰেম আৰু ভাল পোৱা
ৰাধা কৃষ্ণক সুধিবা
যদি কিবা বাকী আছে
নিজক সুধি লোৱা।
জীৱনৰ মধুৰতম সময়
আজিও তুমি জানা
সকলোকে কওঁ
মোৰ প্ৰকৃত ঠিকনা মাথোঁ ....
তোমাৰ মৰম লগা ওঁঠযুৰি
পিছে তোমাৰ ঠিকনা
আজিও ........
আৰু একো নকওঁ দিয়া
নকওঁ দিয়া।

## মাটিৰ জীৱন

**হেৰম্ব নাথ**

গছে গম নোপোৱাকৈ পকা ফলটো সৰি পৰিল
আকৌ বৃদ্ধ পাত এটিও সৰি পৰিল
গম নোপোৱাকৈয়ে
গছৰ তলত সৰা পাত আৰু সৰা ফলটোৰ মাজত
কথা-বতৰা চলিল
আমি একেলগেই আছিলোঁ
আলফুলে ইজনে সিজনক মৰম দিছিলোঁ

পকা ফলটোৱে হুমুনিয়াহ কাঢ়ি কৈ দিলে
সৰা পাতটোক
ভাগৰত মই তোমাৰ বুকুত শুই পৰিছিলোঁ এদিন
তুমিও আলফুলে হাত বুলাই দিছিলা
মোৰ মূৰত

কিমান যে মধুৰ আছিল সেই দিনবোৰ
ব্যাকুল হৈ পৰোঁ স্মৃতিক ৰোমন্থন কৰি
আজি সময়ৰ আহ্বানত
গছডালে আমাক বিদায় দিলে
মাটিৰ জীৱন মাটিতেই যে বিলীন।

**ম'বাইল ঃ** ৭০০২৭-৯৭৫৪০

## জুবিন - এটা যুগৰ নাম

**অনন্ত কুমাৰ ভূঞা**

জুবিন এটি কণ্ঠ
লুইতকণ্ঠ নামে খ্যাত
সুৰৰ এটি জীয়া নিজৰা
স্পষ্টবাদিতা নিজস্ব ধাৰা
জুবিন- এটা যুগৰ নাম
যুৱ প্ৰজন্মৰ স্পন্দিত হৃদয়
এটি সুৰ সংগম
সাৰে থকা এটি নিখুঁত মন।

জুবিন সময়ৰ ধ্বনি,
কণ্ঠত বৈছিল উতপ্ত বাণী
সৃষ্টি তোমাৰ অনন্য
'অনামিকা'ৰ পৰা 'য়া আলি' লৈ -
সাঁকো সাজিলা অসমৰ পৰা বিশ্বলৈ
সৃষ্টি কৰি গ'লা জুবিন যুগ
তুমি এটি সৰল প্ৰাণ।

তুমি বিদ্ৰোহী জুবিন
তুমি জন দৰদী
মানৱীয়তাৰ পূজাৰী
স্পন্দিত প্ৰেমৰ গৰাকী
সমন্বয়ৰ এজাক পোহৰ
আত্ম অনুসন্ধান তোমাৰ ব্ৰত
চল্লিশটা ভাষাৰ ওঁঠত গান,
অসমীয়া হৈ থাকিলা সদায়।
সুৰৰ মৃত্যু নহয়
চিৰযুগমীয়া তোমাৰ গীত
চিৰআৰাধ্য তুমি জুবিন
সাগৰ তোমাৰ প্ৰিয়
গভীৰ তোমাৰ গানৰ সুৰ
জনতাৰ শিল্পী তুমি জুবিন গাৰ্গ
জুবিন-এটা যুগৰ নাম।

তুমি নাই বুলি কোনে কয়
তোমাৰ গানৰ সুৰত
উন্মত্ত হৈ পৰে জোনাক
তোমাৰ গান বাজি থাকিব
আৰু তুমি অমৰ হৈ ৰ'বা
তুমি যুগজয়ী
জনতাই যাঁচিছে অযুত মৰম।

## পঁইতা

**মুকুল জয়ন্ত**

ভাতৰ পাততে
কথা পাতো
পেটৰ ভোক
মোকলায় এৰাব
আপোন অভিনয়।
সত যোৱা নাছিল
অজুহাতে দি ফুৰিছিল
উৎসৱ নিমন্ত্ৰণ।
(পাল তৰি জীয়াই থকা মূৰ্ত হৈ)



## শৰতৰ বতৰা

**ৰত্না কোঁৱৰ,** চেপন, হলগুৰি

শৰতৰ সন্ধিয়া নামি আহে
সোণালী গধূলিৰ ৰঙত
ধূপ, ধূণাৰ মধুৰ সুবাস
ভাঁহি আহে বতাহত,
দূৰৈৰ একোণত ডবাৰ শব্দ
ৰিণিকি ৰিণিকি বাজি উঠে
শান্তিৰ মৃদু সুৰত...
জিকমিক তৰাই জীপাল কৰে
সন্ধিয়াৰ আকাশক
স্নিগ্ধ জোনাক আৰু শুভ্ৰ শেৱালিৰ সুবাসে
মোক কাণে কাণে কয় যেন
আজি সন্ধ্যা অলপ বিশেষ।

# শিৱসাগৰ জিলাখনত হৈ যোৱা বান পৰিস্থিতিৰ পৰ্যালোচনা ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনাৰ কেন্দ্ৰীয় অনুসন্ধানকাৰী দলৰ



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জ্যেষ্ঠ উপদেষ্টা (এম.ই. আৰু আই.আৰ.এছ) ব্ৰিগেডিয়াৰ আৰ. গুৰুঙৰ নেতৃত্বত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ দ্বাৰা মনোনীত এটি কেন্দ্ৰীয় অনুসন্ধানকাৰী দলে ২২ ছেপ্তেম্বৰত শিৱসাগৰ জিলাত উপস্থিত হৈ শেহতীয়াকৈ জিলাখনত হৈ যোৱা বিধ্বংসী বান পৰিস্থিতিৰ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত মৃদুল য়াদৱৰ উপস্থিতিত জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত অনুষ্ঠিত এই বৈঠকত কেন্দ্ৰীয় অনুসন্ধান দলৰ সদস্যসকল ক্ৰমে চি.ডব্লিও.চি. -ৰ অধীক্ষক অভিযন্তা শশাংক ভূষণ; আই.এম.ডি. -ৰ বিজ্ঞানী 'এফ' ড° সুমিত দাস; এন. আৰ. এছ. চি. -ৰ বিজ্ঞানী! অভিযন্তা এছ.এফ., ডি.এম.এছ. জি., আৰ. এছ.এ.এ. ড° এছ.ভি.এছ.পি. শৰ্মা; এন.আই.এইচ. -ৰ বিজ্ঞানী 'জি' আৰু মুৰব্বী ড° পংকজ মণি; এন.ই.এছ.এ.চি. -ৰ বিজ্ঞানী! অভিযন্তা 'এছ.জি.' ড° দিগন্ত বৰ্মন; অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ প্ৰকল্প প্ৰবন্ধক (ডি.আৰ.আৰ.) মুক্ত ৰাম ডেকা; জি.আই.এছ. বিশেষজ্ঞ বীৰেন বৈশ্য আৰু অভিযান্ত্ৰিক পৰামৰ্শদাতা (বান প্ৰশমন) নৱ ডেকাই অংশগ্ৰহণ কৰে। বৈঠকৰ আৰম্ভণিতে জিলা আয়ুক্ত মৃদুল য়াদৱে আদৰণি ভাষণ আগবঢ়ায়। তেওঁ জিলাখনত হৈ যোৱা শেহতীয়া বানৰ প্ৰাৰম্ভিক কাৰণ, প্ৰভাৱ আৰু জিলা প্ৰশাসনৰ তৰফৰ পৰা গ্ৰহণ কৰা উদ্ধাৰ, সাহায্য আৰু পুনৰ সংস্থাপনমূলক ব্যৱস্থাপনাৰ বিষয়ে তথ্য দাঙি ধৰে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়া ড° বিষয়লক্ষ্মী গগৈয়ে এক পাৱাৰ পইণ্ট প্ৰেজেণ্টেচনৰ জৰিয়তে শেহতীয়া বানপানীৰ বাবে দায়বদ্ধ কাৰিকৰী কাৰকসমূহ, উদ্ধাৰ কাৰ্য্যৰ বিৱৰণ, ক্ষয়-ক্ষতিৰ মূল্যায়ণ, সাহায্য আৰু পুনৰুদ্ধাৰমূলক ব্যৱস্থাপনা আদিৰ বিষয়ে বিস্তৃতভাৱে অৱলোকন দাঙি ধৰে। উল্লেখ্য যে, বৈঠকত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জ্যেষ্ঠ উপদেষ্টা (এম.ই. আৰু আই.আৰ.এছ) ব্ৰিগেডিয়াৰ আৰ. গুৰুঙে বান পৰিস্থিতি সন্দৰ্ভত জিলা প্ৰশাসন আৰু বিভিন্ন সংশ্লিষ্ট বিভাগে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে বিস্তৃতভাৱে বুজ লয়। নিজ বক্তব্যত তেওঁ উল্লেখ কৰে যে, শেহতীয়া দুৰ্যোগৰ অভিজ্ঞতাৰ পৰা শিক্ষা আৰু অভিজ্ঞতা গ্ৰহণ কৰি ভৱিষ্যতে সম্ভাব্য বানপানীৰ মোকাবিলা কৰাৰ ক্ষমতা বৃদ্ধি কৰাই হৈছে পৰ্যালোচনা সভাখনৰ মূল উদ্দেশ্য। ইয়াৰ লগতে তেওঁ প্ৰাক্-সতৰ্কবাণী ব্যৱস্থা অধিক শক্তিশালী কৰা, ৰাইজৰ মাজত সচেতনতা বৃদ্ধি কৰা, দুৰ্যোগ-সহনশীল আন্তঃগাঁথনি নিৰ্মাণৰ পৰিকল্পনা আৰু বাৰিষাৰ সময়ছোৱাত জিলা পৰ্যায়ত একোটা সক্ৰিয় নিৰীক্ষণ গোট গঠন কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। উল্লেখ্য যে, বৈঠকত অংশগ্ৰহণ কৰা কেন্দ্ৰীয় অনুসন্ধানকাৰী গোটৰ বিশেষজ্ঞসকলে বানপানীৰ দৰে পৰিস্থিতিৰ মোকাবিলা কৰাৰ ক্ষেত্ৰত বিভিন্ন কাৰিকৰী তথা অভিজ্ঞতাপুষ্ট পৰামৰ্শ আগবঢ়ায়। উক্ত বৈঠকত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সতীশ চন্দ্ৰ ঠাকুৰীয়া, মাণ্ডলিক বন বিষয়া চিৰঞ্জীৱ পি জৈন, নাজিৰা আৰু ডিমৌৰ সমজিলা আয়ুক্ত দ্বয় প্ৰতিভা মেশ্ৰাম আৰু লুকুমণি বড়া, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া মীনাক্ষী পেৰ্মে, অতিৰিক্ত আৰক্ষী অধীক্ষক ঋষভ হান্স, সহকাৰী আয়ুক্তসকল পৰ্চিয়া খনিকৰ, অন্বেষা ঠাকুৰ, নিৰ্বাচনী বিষয়া গণেশ চন্দ্ৰ বড়ো, চক্ৰ বিষয়াসকল প্ৰমুখ্যে বিভিন্ন সংশ্লিষ্ট বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

*প্ৰথম পৃষ্ঠাৰ পৰা*

## শিক্ষা সাংবাদিকতাৰ দিন উদ্‌যাপন

অসম বাৰ্তাজীৱী সংঘৰ সাধাৰণ সম্পাদক তথা অসমীয়া প্ৰতিদিন কাকতৰ জ্যেষ্ঠ সাংবাদিক অঞ্জন কুমাৰ শৰ্মাই পৰেশ বৈশ্য ফাউণ্ডেচনে লৈ অহা ইতিবাচক পদক্ষেপৰ শলাগ লয়। এই অনুষ্ঠানতেই 'শিক্ষাৰ্থীৰ সপোন' শিতানত 'মোৰ সপোনৰ শিক্ষা ব্যৱস্থা' শীৰ্ষক এটি বক্তৃতা প্ৰদান কৰে গুৱাহাটীৰ কামাখ্যাগেটৰ নীলাচল জাতীয় বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী দৰ্শিতা বণিক্যই। ভাষণত তেওঁ কয় যে বৰ্তমানৰ শিক্ষা ব্যৱস্থাত শিক্ষাৰ্থীয়ে আনন্দদায়ক পদ্ধতিৰ শিক্ষা গ্ৰহণৰ পৰিৱেশ নাই। নম্বৰকেন্দ্ৰিক শিক্ষাৰ সলনি দক্ষতা বিকাশৰ শিক্ষাইহে শিক্ষাৰ্থীৰ উপকাৰ সাধিব বুলি তেওঁ কয়। তেওঁ মাতৃভাষাত শিক্ষা গ্ৰহণৰ ওপৰতো গুৰুত্ব দিয়ে। উক্ত অনুষ্ঠানতেই পৰেশ বৈশ্য ফাউণ্ডেচনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা শংকৰী সাহিত্যৰ সাধক ড° ভূপেন্দ্ৰ ৰায়চৌধুৰীক শংকৰদেৱ অধ্যয়ন বঁটা, লখিমপুৰৰ নাৰায়ণপুৰৰ যোগেন্দ্ৰ নাথ দত্তক মাধৱদেৱ অধ্যয়ন বঁটা, ৰামদিয়াৰ মহেন্দ্ৰ নাথ ডেকাক অসম ইতিহাস অধ্যয়ন বঁটা, ৰঙিয়াৰ ২৯ নং মুৰাৰা বালিকা প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী নিভা ডেকা মহন্তক শ্ৰেষ্ঠ শিক্ষয়িত্ৰী বঁটা আৰু মৰিগাঁৱৰ সাংবাদিক ডালিম ফুকনক শ্ৰেষ্ঠ সাংবাদিক বঁটা প্ৰদান কৰে। বঁটা হিচাপে ফুলাম গামোচা, চেলেং, শৰাই, জাপি, প্ৰশস্তি পত্ৰ, ট্ৰফি আৰু কিতাপৰ টোপোলা উপহাৰ দিয়া হয়। অনুষ্ঠানত পৰেশ বৈশ্য ফাউণ্ডেচনে শিশু সাহিত্যিক যুগললোচন দাসক শিশু সাহিত্য বিষয়ক ফেল'শ্বিপৰ বাবে বিশ হাজাৰ টকাৰ লগতে প্ৰমাণ-পত্ৰ প্ৰদান কৰে। অনুষ্ঠানত সদৌ অসম ভিত্তিত অনুষ্ঠিত কৰা বান-বিভীষিকা বিষয়ক ডাকযোগে চিত্ৰাংকন প্ৰতিযোগিতাৰ পাঁচগৰাকী বিজয়ীক বঁটা প্ৰদান কৰা হয়। তেওঁলোক হ'ল ক্ৰমে কস্তুৰী প্ৰিয়ম ওজা (বৰপেটা), ৰোদাশী ওজা (বৰপেটা), দেবাংশ নাথ (গুৱাহাটী), গীতুমণি ডেকা (গুৱাহাটী) আৰু ৰঞ্জন ভৰালী (গুৱাহাটী)। অনুষ্ঠানত পৰেশ বৈশ্য ফাউণ্ডেচনৰ বাৰ্ষিক গৱেষণাধৰ্মী গ্ৰন্থ 'এডুকেৰে'ৰ দ্বিতীয় সংখ্যা, পৰেশ বৈশ্য ফাউণ্ডেচনৰ শিশু সাহিত্য বিষয়ক ফেল'শ্বিপৰ আধাৰত যুগললোচন দাসে যুগুতোৱা পাণ্ডুলিপিৰ ছপা সংস্কৰণ 'অসমীয়া শিশু সাহিত্য ঃ ২০০১-২০২৫' আৰু ড° হেমন্ত হাজৰিকাৰ সম্পাদনাত প্ৰকাশিত শিক্ষাবিদ পৰেশ বৈশ্যৰ জীৱন আৰু কৃতিৰ বিষয়ে বিভিন্নজনে কৰা মূল্যায়ন বিষয়ক গ্ৰন্থ 'সান্নিধ্যৰ সৌৰভ' উন্মোচন কৰা হয়। 'এডুকেৰে'ৰ এই সংখ্যাৰ বিষয় হ'ল 'সামাজিক মাধ্যমত গণকণ্ঠৰ উত্থান'। প্ৰজন্ম চহৰীয়াই আঁত ধৰা উক্ত অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী ইমন চৌধুৰীয়ে ভূপেন্দ্ৰ সংগীত আৰু জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। অনুষ্ঠানত পৰেশ বৈশ্য ফাউণ্ডেচনৰ লক্ষ্য আৰু উদ্দেশ্য ব্যাখ্যা কৰি পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই কয় যে ন্যাসৰ পোহৰ বিদ্যালয়ে এতিয়ালৈকে অসমৰ দুই লক্ষাধিক শিক্ষাৰ্থীক শৈক্ষিক মাৰ্গদৰ্শন দিছে।

# আদৰ্শ মাতৃ, বিশিষ্ট সু-সাহিত্যিক মৃণালিনী দেৱী

■ ৰমেন ভৰালী

অসমৰ সাহিত্য জগতত আৰু সমাজ জীৱনত যিসকল মহিলাই নিজৰ কৰ্মৰে ব্যতিক্ৰমী চিন্তা চৰ্চাৰে দৃষ্টান্ত স্থাপন কৰিছে, তেওঁলোকৰ ভিতৰত মৃণালিনী দেৱীৰ নাম বিশেষভাৱে উল্লেখযোগ্য। অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি, 'আদৰ্শ মাতৃ' বঁটাৰে বিভূষিত, 'স্বৰ্ণগৰ্ভা' অসমৰ সমাজ জীৱন, আধ্যাত্মিক জ্ঞানেৰে পৰিপূৰ্ণ তথা সাহিত্য জগতত অন্যান্য বহু বঁটাৰে বিভূষিত এগৰাকী সু-সাহিত্যিক আৰু সমাজ ভালপোৱা, সমাজৰ লগত সংপৃক্ত এগৰাকী মহিয়সী নাৰী মৃণালিনী দেৱী। সংসাৰ, সাহিত্য আৰু সমাজসেৱা - এই তিনিটা ক্ষেত্ৰতে সমানে সফলতাৰে বিচৰণ কৰি তেওঁ আধুনিক অসমৰ নাৰীশক্তিৰ আদৰ্শৰ প্ৰতীক হৈ আছে।

নলবাৰী জিলাৰ বৃহত্তৰ বৰভাগ অঞ্চলৰ লৰমা গাঁৱত ১৯৩৯ চনৰ ৬ নৱেম্বৰত মৃণালিনী দেৱীৰ জন্ম হয়। পিতৃ প্ৰয়াত শৰৎ চন্দ্ৰ শৰ্মা আছিল এজন সাহিত্যিক, শিক্ষাবিদ আৰু প্ৰাচ্যতত্ত্ববিদ। মাতৃ বেদৱতী দেৱী আছিল নলবাৰীৰ বিখ্যাত আঠঘৰীয়া ভট্টাচাৰ্য্য বংশৰ ধৰ্মপ্ৰাণা নাৰী।

বৈবাহিক জীৱনত তেওঁ সহস্ৰ গীতিকাৰ-কবিতাৰ স্ৰষ্টা, তিনিটা ভাষাত প্ৰায় অৰ্ধ-সহস্ৰ কবিতাৰ জনক, লোকমান্য বাল গংগাধৰ তিলকৰ 'গীতা ৰহস্য অথবা কৰ্মযোগশাস্ত্ৰ'ৰ অসমীয়া অনুবাদক নীৰৱ সাহিত্যিক প্ৰয়াত কৈলাশ নাথ শৰ্মাক জীৱনসংগী হিচাপে পায়। স্বামীৰ সাহিত্যিক পৰিৱেশেই তেওঁক কলম ধৰিবলৈ প্ৰেৰণা যোগায়ছিল আৰু আজি অসমীয়া সাহিত্য জগতৰ এগৰাকী সু-সাহিত্যিক তথা আধ্যাত্মিক জ্ঞানেৰে সমৃদ্ধ এগৰাকী আদৰ্শ মাতৃ হিচাপে স্বীকৃত।

প্ৰাথমিক স্তৰতেই বৃত্তিপ্ৰাপ্ত মৃণালিনী দেৱী বৰভাগ অঞ্চলৰ পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱা সেই অঞ্চলৰ প্ৰথমগৰাকী মহিলা প্ৰৱেশিকা পৰীক্ষাৰ্থী হিচাপে স্বীকৃত। তেতিয়াৰ দিনত উচ্চ শিক্ষাৰ সুযোগ কম আছিল যদিও তেওঁ আত্ম-অধ্যয়নৰ জৰিয়তে নিজকে চহকী কৰি তুলি সমাজত আদৰ্শ দাঙি ধৰিছে।

পাঁচজন পুত্ৰ সন্তানৰ মাতৃ হিচাপে সুগৃহিণীৰ দায়িত্ব নিষ্ঠাৰে পালন কৰাৰ উপৰি তেওঁ নীৰৱে আত্মনিয়োগ কৰিছিল সাহিত্য চৰ্চা আৰু সমাজসেৱাত। মহিলা সকলৰ লগত নামঘৰ, মহিলা সমিতিৰ জৰিয়তে তেওঁ মাতৃ সমাজক আধ্যাত্মিক আৰু শিক্ষামুখী কৰি তুলিবলৈ চেষ্টা কৰি আহিছে।

মৃণালিনী দেৱীৰ অসমৰ সাহিত্য জগতখনলৈ তেওঁৰ অৱদানৰ সঁচাকৈয়ে লেখত ল'বলগীয়া। অবিভক্ত কামৰূপ জিলা সাহিত্য সভাৰ অন্তৰ্গত বৃহত্তৰ কাহিলীপাৰা শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি আৰু প্ৰায় চাৰি বছৰ সভাপতিৰ দায়িত্ব পালন নিষ্ঠৰে পালন কৰিছিল।

অসম সাহিত্য সভাৰ আজীৱন সদস্যা, অবিভক্ত কামৰূপ জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰা মৃণালিনী দেৱী অসম সাহিত্য সভাৰ কেইবাবাৰো কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্যা আৰু ৰাজ্য ভাষা আৰু মাতৃ-ভাষা প্ৰয়োগ উপ-সমিতিৰ উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি অসম সাহিত্য সভাৰ উপ-সভাপতি হিচাপে গোটেই অসমতে শদিয়াৰ পৰা ধুবুৰীলৈ জিলা সাহিত্য সভা, শাখা সাহিত্য সভা সমুহত সাহিত্যৰ বাণী বিলাই ফুৰিছিল। তেওঁ

দক্ষিণ গুৱাহাটী লেখিকা সংস্থাৰ প্ৰাক্তন সভানেত্ৰী আৰু বৃহত্তৰ কাহিলীপাৰা-গণেশগুৰি শাখা লেখিকা সংস্থাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। অসম লেখিকা সংস্থাৰ পৃষ্ঠপোষক তথা প্ৰকাশন উপ-সমিতিৰ সভাপতি হিচাপে

সাহিত্য জগতৰ ভঁৰাল চহকী কৰি তুলিছে। অসম সংস্কৃত সাহিত্য সভাৰ ৰাজ্যিক সভানেত্ৰী আৰু অখিল ভাৰতীয় সাহিত্য পৰিষদ, অসম শাখাৰ কেন্দ্ৰীয় সভানেত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি ভাৰতীয় সাহিত্য জগতটো অন্যান্য ভুমিকা পালন কৰি আছে। অসম সাহিত্য সভাৰ কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ চল্লৰজ্জ্ব-চল্ল বৰ্ষৰ সভাপতি হিচাপে নিৰ্বাচিত হৈ তেওঁৰ কাৰ্যকালত ৩৭ খন শাখা সক্ৰিয়কৰণ কৰি ৩ খন নতুন শাখা গঠন কৰি অসম সাহিত্য সভাত ভূয়সী প্ৰশংসা লাভ কৰিছে।

'পঢ়াই মানুহক পৰিপূৰ্ণ কৰে, লিখাই কৰে সম্পূৰ্ণ মানুহ' - এই আদৰ্শক সাৰোগত কৰি মৃণালিনী দেৱীয়ে সাহিত্যৰ পথাৰত খোজ পেলায় আজিও সাহিত্য সেৱাতে বিলীন কৰি দিছে। মৃণালিনী দেৱীৰ মৌলিক গ্ৰন্থ- নাম-গীতৰ পুথি 'ভক্তি অঞ্জলি' (১৯৯৭), নাম-গীতৰ পুথি 'অমৃতাঞ্জলি' (২০০৩), প্ৰৱন্ধ সংকলন 'আদ্যাশক্তি মহামায়া ইত্যাদি...' (২০১২), প্ৰৱন্ধ সংকলন 'মহাশক্তি দুৰ্গা আৰু অন্যান্য' (২০১৫), প্ৰৱন্ধ সংকলন 'বিষয় আৰু ব্যক্তিত্ব' (২০১৮), 'মণ্ডল চৰণম'-২০১৮ চনত ভাৰতীয় পৰম্পৰাগত অন্নপ্ৰাসন, চূড়াকৰণ, উপনয়ন, বিবাহ আদিত পৰিৱেশন কৰা আধ্যাত্মিতাপুৰ্ণ নাম-গীতৰ গ্ৰন্থ, নামৰ পুথি 'কৃষ্ণ চিন্তামৃত' আৰু 'কৃষ্ণ লীলামৃত' (২০২৩), 'কৃষ্ণ ৰসামৃত' ভক্তিমূলক পদাৱলী, বিয়ানাম আৰু বিভিন্ন জাতকৰ্মৰ উপযোগী গ্ৰন্থ, শীৰ্ষক আদি তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ। তেওঁৰ সম্পাদনা গ্ৰন্থ যেনে - নিৰ্বাচিত অসমীয়া লেখিকাৰ শতাধিক শ্ৰেষ্ঠ কবিতাৰ বাংলা অনুবাদ গ্ৰন্থ 'জীৱন থেকে কুড়িয়ে আনা গান' নিৰ্বাচিত অসমীয়া লেখিকাৰ শতাধিক শ্ৰেষ্ঠ কবিতাৰ হিন্দী অনুবাদ গ্ৰন্থ 'মৃত্তিকা খুচবু'। লগতে 'বৰষা মাধুৰী' (২০১৮), 'প্ৰবাহিত গ্ৰীষ্ম' (২০১৮), 'বসন্ত-মাধুৰী' (২০১৮), 'বিষ্ণুজ্যোতি' (২০১৮), 'ৰূপ-জ্যোতি' ২০১৯, আদি কেইবাখনো কাব্য সংকলন সম্পাদনা কৰিছে। বিগত এটা দশকত বিভিন্ন আলোচনী আৰু কাকতত তেওঁৰ শতাধিক প্ৰৱন্ধ আৰু কবিতা প্ৰকাশিত হৈ অসমীয়া সাহিত্য জগতৰ ভঁৰাল টনকিয়াল কৰিছে।

বিশিষ্টা সু-সাহিত্যিক, আধ্যাত্মিক জ্ঞানেৰে সমৃদ্ধ মৃণালিনী দেৱীয়ে সমাজসেৱা আৰু সাহিত্যৰ ক্ষেত্ৰখনত উল্লেখনীয় অৱদানৰ বাবে তেওঁক অসমৰ বহু সামাজিক, সাংস্কৃতিক সংগঠন, জাতীয় অনুষ্ঠান, প্ৰতিষ্ঠান, ধৰ্মীয় উপাসনাৰ স্থলী সমূহেও বিভিন্ন বঁটা-বাহন, উপাধিৰে বিভূষিত আৰু সন্মানিত কৰিছে। ইয়াৰে ভিতৰত উল্লেখযোগ্য কেইটামান হ'ল -

"Women Social Worker" বঁটা - ২০১৫, 'শীপ্ৰভা কলিতা আদৰ্শ জননী বঁটা' - ২০১৫, অসম লেখিকা সংস্থাৰ 'লাৱণ্য হাজৰিকা আদৰ্শ মাতৃ বঁটা' - ২০১৬, "Social Work Excellence Award 2017" আৰু বৰপেটাৰ 'নৰতনু বঁটা' সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ 'স্বৰ্ণগৰ্ভা', বৰপেটা ঐতিহ্য ক্ষেত্ৰ উন্নয়ন মঞ্চৰ 'নৰতানু বঁটা', 'ভীমবৰ দেউৰী বঁটা' ২০২১, 'আজলী আই বঁটা'-২০২৪, সতী ৰাধিকা মহিলা তীৰ্থৰ দ্বাৰা ২০২৪ত 'মনস্বিতা অংগনা' উপাধি, অসম সাহিত্য সভাৰ 'অসম সাহিত্য সভা সেৱা প্ৰাণ বঁটা'-২০২৫, বাইহাটা চাৰিআলি শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় আৰু এইমছ নিৰ্মাণ সহায়ক সমিতিয়ে 'শ্ৰেষ্ঠ মাতৃ অসম বঁটা', 'আচাৰ্য উমাকান্ত দেৱ শৰ্মা ফাউণ্ডেচন'ৰ পৰা 'বাণী বিভূতি' বঁটা উল্লেখযোগ্য।



মৃণালিনী দেৱী পাঁচজন প্ৰতিষ্ঠিত পুত্ৰৰ জননী। ইয়াৰ ভিতৰত প্ৰথম পুত্ৰ লণ্ডনস্থিত বিখ্যাত চিকিৎসক ডাঃ জয়ন্ত বিশ্ব শৰ্মা, দ্বিতীয় পুত্ৰ অসম পৰিবহণ নিগমৰ এজন স্ব-ইচ্ছাই অৱসৰপ্ৰাপ্ত উচ্চপদস্থ বিষয়া, সু-বক্তা, কবি, অসমৰ কেইবাখনো বিশ্ববিদ্যালয়ৰ অংশকালীন অধ্যাপক দিগন্ত বিশ্ব শৰ্মা, তৃতীয় জন পুত্ৰ অসমৰ দুবাৰকৈ মুখ্যমন্ত্ৰীৰ আসন অলংকৃত কৰা অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, চতুৰ্থজন পুত্ৰ এগৰাকী মননশীল কবি তথা অভিযন্তা প্ৰয়াত প্ৰশান্ত বিশ্ব শৰ্মা, পঞ্চম জন পুত্ৰ এগৰাকী সুদক্ষ আৰক্ষী বিষয়া তথা আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা অন্যতম। কিন্তু তেওঁ কেতিয়াও পুত্ৰৰ পৰিচয়ত নিজকে চিনাকি দিবলৈ ভাল নাপায়। স্বামী আৰু ডেকা পুত্ৰ প্ৰশান্ত বিশ্ব শৰ্মাক হেৰুৱাইও তেওঁ ভাঙি পৰা নাই। সেই বেদনাক শক্তিলৈ ৰূপান্তৰিত কৰি সমাজৰ বাবে, দহৰ বাবে কাম কৰি গৈছে। এগৰাকী প্ৰভাৱশালী ব্যক্তিৰ মাতৃ হৈও তেওঁৰ জীৱন যাপন অতি সাধাৰণ আৰু নিৰহংকাৰী।

মৃণালিনী দেৱীয়ে প্ৰমাণ কৰিলে যে নাৰীৰ মৰ্যাদা কেৱল ঘৰৰ চাৰিবেৰত সীমাবদ্ধ নহয়। সংসাৰ, সাহিত্য আৰু সমাজ- জীৱন এই তিনিওটা ক্ষেত্ৰতে সফলতাৰে কাম কৰি তেওঁ নাৰীশক্তিৰ প্ৰতীক হৈ উজলি উঠিছে। তেওঁৰ আধ্যাত্মিক চিন্তা চেতনাৰে উদ্বুদ্ধ হৈ আৰু তেওঁৰ আদৰ্শই আজিৰ সমাজক সুস্থ আৰু সংস্কাৰমুখী কৰাৰ পথ দেখুৱাব।

সঁচাকৈয়ে মৃণালিনী দেৱী এগৰাকী 'স্বৰ্ণগৰ্ভা' - যাৰ গৰ্ভতো ৰত্ন, আৰু কলমতো ৰত্ন। অসমৰ সাহিত্য-সংস্কৃতিৰ ইতিহাসত তেওঁৰ নাম সোণালী আখৰেৰে লিখা থাকিব।

# ড° ৰীণা ৰাণী বৰদলৈৰ জীৱন, কৰ্ম আৰু বহুমুখী অৱদানৰ ওপৰত প্ৰবন্ধ আহ্বান

**গুৱাহাটী ঃ** কন্যা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা ড° ৰীণা ৰাণী বৰদলৈৰ জীৱন, কৰ্ম, কৃতিত্ব আৰু বহুমুখী অৱদানৰ ওপৰত এখন দ্বিভাষিক সম্পাদিত গ্ৰন্থ প্ৰকাশৰ উদ্যোগ গ্ৰহণ কৰা হৈছে। প্ৰস্তাৱিত গ্ৰন্থখনত তেওঁৰ শৈক্ষিক আৰু প্ৰশাসনিক নেতৃত্ব, সাহিত্যিক কৰ্ম, ৰামায়ণ সাহিত্যৰ সৈতে জড়িত অৱদান, সামাজিক সম্পৃক্ততা, সাংস্কৃতিক কৰ্ম, প্ৰতিষ্ঠান গঢ়াৰ ক্ষেত্ৰত ভূমিকা, মানৱীয় সম্পৰ্ক আৰু তেওঁৰ জীৱন-কৰ্মৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত বিভিন্ন গুৰুত্বপূৰ্ণ দিশ সামৰি লোৱাৰ প্ৰয়াস কৰা হ'ব। ড° ৰীণা ৰাণী বৰদলৈক কেৱল এগৰাকী শিক্ষাবিদ আৰু প্ৰশাসক হিচাপেই নহয়, সাহিত্য, সংস্কৃতি আৰু সামাজিক ক্ষেত্ৰৰ সৈতেও জড়িত এগৰাকী সক্ৰিয় ব্যক্তিত্ব হিচাপে স্মৰণ কৰা হয়। কন্যা মহাবিদ্যালয়ৰ সৈতে তেওঁৰ সম্পৰ্ক আৰু শিক্ষা, সাহিত্য, সংস্কৃতি তথা সমাজৰ বিভিন্ন ক্ষেত্ৰত তেওঁৰ কৰ্মই ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, সহকৰ্মী, গৱেষক আৰু বৃহত্তৰ সমাজত এক উল্লেখযোগ্য প্ৰভাৱ সৃষ্টি কৰিছে। সেয়েহে প্ৰস্তাৱিত গ্ৰন্থখনত তেওঁৰ অৱদানসমূহক যথাযথ শৈক্ষিক, সাহিত্যিক, সাংস্কৃতিক আৰু সামাজিক পৰিপ্ৰেক্ষিতত নথিভুক্ত কৰাৰ প্ৰয়াস কৰা হ'ব। এই গ্ৰন্থৰ বাবে গৱেষণামূলক প্ৰবন্ধ, শৈক্ষিক নিবন্ধ, বিশ্লেষণধৰ্মী লেখা, ব্যক্তিগত স্মৃতিচাৰণ আৰু তথ্যভিত্তিক স্মৃতিলেখা আহ্বান কৰা হৈছে। বিশেষকৈ ড° বৰদলৈৰ শৈক্ষিক আৰু প্ৰশাসনিক জীৱন, শিক্ষা-নেতৃত্ব, সাহিত্যিক কৰ্ম আৰু চিন্তা, ৰামায়ণ সাহিত্যৰ সৈতে জড়িত অৱদান, সাংস্কৃতিক সম্পৃক্ততা, সামাজিক অৱদান, প্ৰতিষ্ঠানিক বিকাশ, মানৱীয় সম্পৰ্ক আৰু তেওঁৰ জীৱন-কৰ্মৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত অন্যান্য বিষয়ৰ ওপৰত লেখা প্ৰেৰণ কৰিব পাৰিব। ছাত্ৰ-ছাত্ৰী, সহকৰ্মী আৰু প্ৰতিষ্ঠানৰ সৈতে তেওঁৰ সম্পৰ্ক, উল্লেখযোগ্য অভিজ্ঞতা, স্মৃতি আৰু আন্তঃব্যক্তিক সম্পৰ্কৰ মাজেৰে তেওঁৰ ব্যক্তিত্ব আৰু অৱদানক প্ৰতিফলিত কৰা লেখাও এই গ্ৰন্থৰ বাবে গুৰুত্বপূৰ্ণ হ'ব। প্ৰস্তাৱিত সম্পাদিত গ্ৰন্থখন ইংৰাজী আৰু অসমীয়া-দুয়োটা ভাষাতে প্ৰকাশ কৰা হ'ব। গ্ৰন্থখনৰ সম্পাদক হিচাপে থাকিব ড° গুপ্তজিৎ পাঠক। গুৱাহাটীৰ এখন জনপ্ৰিয় আৰু প্ৰতিষ্ঠিত প্ৰকাশন গোষ্ঠীৰ জৰিয়তে গ্ৰন্থখন জানুৱাৰী, ২০২৭ত প্ৰকাশ কৰাৰ পৰিকল্পনা কৰা হৈছে। গ্ৰন্থখনত ISBN সংযোজিত থাকিব আৰু ইয়াক ড° ৰীণা ৰাণী বৰদলৈৰ শৈক্ষিক, সাহিত্যিক, সাংস্কৃতিক, প্ৰশাসনিক, সামাজিক আৰু মানৱীয় অৱদানৰ এক গুৰুত্বপূৰ্ণ নথি হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হ'ব।

**প্ৰৱন্ধ প্ৰেৰণৰ বাবে আহ্বান**

ড° ৰীণা ৰাণী বৰদলৈৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত শিক্ষক-শিক্ষয়িত্ৰী, প্ৰাক্তন আৰু বৰ্তমানৰ সহকৰ্মী, গৱেষক, শিক্ষাবিদ, ছাত্ৰ-ছাত্ৰী, সাহিত্যিক, সাংস্কৃতিক কৰ্মী, শুভাকাংক্ষী, বন্ধু-বান্ধৱ আৰু অন্যান্য ব্যক্তিসকলৰ পৰা আন্তৰিকতাৰে মৌলিক লেখা আহ্বান কৰা হৈছে। প্ৰৱন্ধসমূহ ইংৰাজী অথবা অসমীয়া ভাষাত প্ৰেৰণ কৰিব পাৰিব। লেখা প্ৰেৰণৰ শেষ তাৰিখ ৫ ডিচেম্বৰ, ২০২৬। ই-মেইল ঃ pathakguptajit19@gmail.com যোগাযোগ ঃ WhatsApp. +91-9085084275. এই প্ৰস্তাৱিত গ্ৰন্থখন কেৱল এগৰাকী ব্যক্তিত্বক স্মৰণ কৰাৰ প্ৰয়াস নহয়; বৰং তেওঁৰ শৈক্ষিক, সাহিত্যিক, সাংস্কৃতিক, প্ৰশাসনিক, সামাজিক আৰু মানৱীয় অৱদানক নথিভুক্ত, বিশ্লেষণ আৰু সংৰক্ষণ কৰাৰ এক আন্তৰিক প্ৰয়াস। তেওঁৰ কৰ্ম আৰু সম্পৰ্কৰ সৈতে জড়িত স্মৃতি, অভিজ্ঞতা আৰু তথ্যসমূহ ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক মূল্যৱান ঐতিহাসিক আৰু সামাজিক দলিল হিচাপে পৰিগণিত হ'ব পাৰে। সম্পাদক ঃ ড° গুপ্তজিৎ পাঠক, সহকাৰী অধ্যাপক, ইতিহাস বিভাগ, গীতানগৰ, গুৱাহাটী, অসম

# বংশৰত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি, 'জুবিনবাদ জুবিনবাদ' গীতৰ ভিডিঅ' উন্মোচন



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ সদৌ বংশৰ নাট্য সন্মিলনৰ উদ্যোগত হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰথম মৃত্যুবাৰ্ষিকী উপলক্ষে যোৱা ১৯ চেপ্তেম্বৰত সদৌ বংশৰ নাট্য সন্মিলনৰ কাৰ্যালয়ত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত শিক্ষক সনাতন বৈশ্যৰ কথা, সুৰ আৰু কণ্ঠৰে 'জুবিনবাদ জুবিনবাদ' শীৰ্ষক এটি গীতৰ ভিডিঅ' আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। ভিডিঅ'টি উন্মোচন কৰে নৱ প্ৰজন্মৰ কণ্ঠশিল্পী কৰিশ্মা ৰাণী দাসে। অনুষ্ঠানৰ আৰম্ভণিতে শিল্পীগৰাকীৰ আলোকচিত্ৰৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে জিলা কৃতি শিক্ষক তথা নাট্যশিল্পী ইন্দ্ৰ কান্ত বৈশ্যই। তেখেতে জুবিন গাৰ্গৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত সাৰগৰ্ভ ভাষণ প্ৰদান কৰি সদৌ বংশৰ নাট্য সন্মিলনৰ এই পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত কণমানি ৰিয়াঙ্কী ভৰালীৰ লিখিত বক্তৃতা পাঠ আৰু কৰিশ্মা দাসৰ পৰিচালনাত শিশু শিল্পীসকলৰ দ্বাৰা 'মায়াবিনী ৰাতিৰ বুকুত' আৰু 'মেঘৰ বৰণ' গীত দুটি পৰিৱেশন কৰা হয়, যিয়ে উপস্থিত সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। জুবিন গাৰ্গৰ বিভিন্ন গীতেৰে জীপাল হোৱা অনুষ্ঠানটিৰ আঁত ধৰে নাট্যকাৰ, অভিনেতা তথা সন্মিলনৰ সাধাৰণ সম্পাদক ভূপেন তালুকদাৰে। অনুষ্ঠানত শিক্ষক তৰুণ দাস, ৰমেন বৈশ্য, দ্বীপ মইনা ভড়ালী, নিত্যানন্দ নাথ, খগেন দাস, অমিয় কুমাৰ, জিন্টু দাস আদি উপস্থিত থাকে। ইফালে পছৰীয়াৰ শিক্ষা জগতৰ আগশাৰীৰ এক শিক্ষানুষ্ঠান S.R.M.N. শিক্ষা কেন্দ্ৰতো হিয়াৰ আমঠু হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ পূণ্য তিথিত জুবিন দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানত প্ৰথমে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মূখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে S.R.M.N. শিক্ষা কেন্দ্ৰৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰদীপ নাৰায়ণ ভট্টই আৰু S.R.M.N. শিক্ষা কেন্দ্ৰৰ অধ্যক্ষ মিতু কলিতা। ইয়াৰ পিছত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে ৰিতামণি দেৱী, হিমজ্যোতি কলিতা, ধৃতিস্মিতা দেৱী, অনামিকা কলিতা সমন্বিতে সমূহ শিক্ষক-শিক্ষয়িত্ৰীসকলে। বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ উদ্যোগতো জুবিন দিৱস পালন কৰা হয়। বংশৰ অঞ্চলৰ বয়োজ্যেষ্ঠ ব্যক্তি সত্যৰাম দাসে প্ৰথমে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানত শ্ৰীশ্ৰী লক্ষ্মী নাৰায়ণ মন্দিৰ, বংশৰৰ সভাপতি ভৱানী চৰণ দাস, বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ সভাপতি ৰমেন ভৰালী, গিৰিশ দাস আদিয়ে বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে আৰু স্থানীয় আয়তীসকলে নাম প্ৰসংগৰে মুখৰিত কৰি জুবিন গাৰ্গলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# শিৱসাগৰ জিলাত ১০৮ মৃত্যুঞ্জয় সেৱাৰ এটি প্ৰশংসনীয় সেৱামূলক প্ৰয়াস



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ৰাইজৰ বিপদৰ সময়ত কাষত থিয় দিয়াই আমাৰ কৰ্তব্য। মানৱ সেৱাই আমাৰ দায়িত্ব আৰু ৰাইজৰ সেৱাই আমাৰ গৌৰৱ। এই লক্ষ্য উদ্দেশ্য আগত ৰাখিয়েই শিৱসাগৰ জিলাৰ অন্তৰ্গত গৌৰীসাগৰ অঞ্চলৰ চাৰিং-হাফলুটিং গাঁৱত বয়োজ্যেষ্ঠ লোকসকলৰ বাবে যোৱা ১৬ ছেপ্তেম্বৰ তাৰিখে এক স্বাস্থ্য শিৱিৰ অনুষ্ঠিত কৰা হয়। ১০৮ এম্বুলেঞ্চ সেৱাই ৰাইজৰ কাষলৈ গৈ স্বাস্থ্যসেৱা আগবঢ়োৱাৰ এই মহান প্ৰচেষ্টা সঁচাকৈয়ে প্ৰশংসনীয় আৰু শলাগ ল'বলগীয়া। উক্ত শিৱিৰত বহুসংখ্যক ৰোগীৰ ব্লাড চুগাৰৰ লগতে ব্লাড প্ৰেচাৰৰ পৰীক্ষা কৰা হয়। এই সেৱামূলক কাৰ্য্যসূচীত আন্তৰিকতা, নিষ্ঠা আৰু দায়িত্ববোধেৰে সহযোগিতা আগবঢ়োৱা ই এম টি অৰুণজ্যোতি শইকীয়া, বিকাশ মাউট আৰু পাইলট প্ৰশান্ত শইকীয়ালৈ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, শিৱসাগৰৰ হৈ জিলা গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকনে আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে।







# মৰিগাঁৱত অসম সাহিত্য সভাৰ কেন্দ্ৰীয়ভাৱে জুবিন দিৱস উদ্‌যাপন



**ৰমেন ভৰালী, বংশৰ ঃ** 'জুবিন এটা নাম নহয়, জুবিন এতিয়া এটা অনুষ্ঠান। অসমীয়া জাতিৰ সত্তা। এই সত্তাটোক জীয়াই থাকোঁতে আমি অসমবাসীয়ে যিমান মৰম বা আদৰ কৰি ৰাখিব লাগিছিল সেয়া তেওঁৰ অবৰ্তমানত উপলব্ধি কৰিব পাৰিছোঁ।' যোৱা ১৯ চেপ্তেম্বৰত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অসম সাহিত্য সভাই কেন্দ্ৰীয়ভাৱে আয়োজন কৰা জুবিন দিৱসত এইদৰে বক্তব্য ৰাখে সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাই। মৰিগাঁও জিলা সাহিত্য সভাৰ সহযোগত আৰু মৰিগাঁও শতদল শাখা সাহিত্য সভাৰ আতিথ্যত মৰিগাঁৱৰ গান্ধী ভৱনত অনুষ্ঠিত জুবিন দিৱসৰ মুকলি সভা আৰু সংগীতানুষ্ঠানত সভাপতিত্ব কৰি ৰাজখোৱাই পুনৰ কয় যে- 'জুবিনে অসম সাহিত্য সভাক মনৰ পৰা ভাল পাইছিল সেয়ে তেওঁ সভাৰ ভুলবোৰক আঙুলিয়াই দিছিল আৰু সেই ভুলবোৰ আমি প্ৰধানসম্পাদক হোৱাৰ সময়ত নিৰ্মূল কৰিছিলোঁ।' মৰিগাঁও জিলা সাহিত্য সভাৰ শিল্পীসকলে চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ কৰা অনুষ্ঠানত প্ৰধান সম্পাদক দেৱজিৎ বৰাই উদ্দেশ্য ব্যাখ্যাত জুবিন গাৰ্গৰ মৃত্যু দিনটো অসমীয়া জাতিৰ কাৰণে দুখৰ দিন বুলি অভিহিত কৰি কয় যে, 'অসমীয়া জাতিয়ে জুবিন গাৰ্গৰ বাবে ন্যায় বিচাৰিছে।' জুই আৰু পানীৰ পৰা আঁতৰাই ৰাখিবলৈ চিকিৎসকৰ পৰামৰ্শ নমনাৰ বাবে অসমীয়া জাতিয়ে শিল্পীক কেনেদৰে সুৰক্ষিত কৰি ৰাখিব লাগে তাক উপলব্ধি কৰিব নোৱাৰা জাতি বুলি ক্ষোভ প্ৰকাশ কৰি প্ৰধান সম্পাদকগৰাকীয়ে কয়- অসম সাহিত্য সভাৰ দ্বাৰা অৰণ্ডে দৰণ্ডে জুবিন গাৰ্গক স্মৰণ কৰা হৈছে। জুবিন গাৰ্গক ভাৰতৰত্ন প্ৰদান কৰিব লাগে। ইয়াৰ বাবে সকলো ৰাজনৈতিক দল একত্ৰিত হৈ অসম বিধান সভাত এটি সমন্বিত প্ৰস্তাৱ গ্ৰহণ কৰি ভাৰত চৰকাৰৰ ওচৰত দাবী উত্থাপিত হ'ব লাগে, সেয়া অসমীয়া জাতিৰ প্ৰাপ্য অধিকাৰ হিচাপে গণ্য কৰিব লাগে আৰু এই অধিকাৰ কাঢ়ি আনিব আমি পাৰিবই লাগিব। অসম সাহিত্য সভাই জুবিন গাৰ্গৰ গীত-লেখাৰ মূল্যায়ন কৰিছে বুলি উল্লেখ কৰি লগতে তেখেতে কয়, 'আমি জুবিন গাৰ্গৰ আধৰুৱা কামবোৰ পূৰণ কৰিব লাগিব। তেখেতৰ প্ৰথম জুবিন দিৱসৰ সময়ত অসমীয়া জাতিৰ পৰিচয় দেখা গৈছে। সোণাপুৰত পৰিৱেশন কৰা মায়াবিনীয়ে জাতি-ভেদ সকলোকে পৰিহাৰ কৰি এক কৰিলে।' বৰাই ভাষণ প্ৰসংগত উল্লেখ কৰি পুনৰ কয় যে, উপহাৰৰ বিষয় এটা লৈ এবাৰ অসম সাহিত্য সভাৰ বিৰুদ্ধে জুবিন গাৰ্গৰ খং উঠিছিল। কিন্তু কেইদিনমানৰ পিছতে নোহোৱা হৈছিল। অসম সাহিত্য সভাৰ তেতিয়াৰ প্ৰধান সম্পাদক তথা বৰ্তমানৰ উপসভাপতি পদুম ৰাজখোৱাৰ উদ্যোগত এই বিতৰ্ক অৱসান হৈছিল, লগে লগে জুবিন গাৰ্গ অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়লৈ আহি সভাত অংশগ্ৰহণ কৰিছিল আৰু প্ৰধান সম্পাদকৰ কক্ষলৈও গৈছিল। কিন্তু ভিডিঅ'টো ভাইৰেল কৰা মানুহবোৰ আছিল অসম সাহিত্য সভাৰে কেইজনমান কাৰ্যকৰ্তা বুলি প্ৰধান সম্পাদকগৰাকীয়ে উদ্বেগ প্ৰকাশ কৰে। আনহাতে সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধানসম্পাদক ড° জগদীশ পাটগিৰিয়ে কয় যে, জুবিনৰ সমগ্ৰ কীৰ্তি কলাপ সামৰি তেওঁৰ টিভি, ভিচিডি, চিনেমা, গীত-কবিতা, বক্তব্য, সাক্ষাৎকাৰ তথা এই অমৰ শিল্পী সত্তা অন্যায়ৰ বিৰুদ্ধে গুজৰি উঠা মানৱদৰদী অনন্য জাতীয় চেতনাৰ অংগ, সংগীত আৰু মানৱতা যাৰ ধৰ্ম, মানুহৰ পৃথিৱী বিচৰা শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনোৱা হ'ব যদিহে উল্লেখিত দিশসমূহ সংগ্ৰহ সংকলন কৰি তাৰ তাৎপৰ্য নিৰূপণ কৰি বিশ্বত দাঙি ধৰা হয়। ইয়াৰ উপৰি তেওঁ কয় যে; আমাৰ অসমীয়া মাতৃভাষাৰ সংকটৰ সময়ত অনা অসমীয়া ভাষী অথবা ইংৰাজী মাধ্যমত পঢ়ি থকা দেশী-বিদেশী ছাত্ৰ-ছাত্ৰীক জুবিনৰ গানেৰে অসমীয়া ভাষাৰ সংযোগ স্থাপন কৰিব লাগিব। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট সংগীত শিল্পী, লেখক, গীতিকাৰ ৰঞ্জন কুমাৰ বেজবৰুৱাই জুবিন গাৰ্গৰ স্মৃতি ৰোমন্থন কৰে।

স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.in/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা